RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

অসম ভূমি

জাতীয় স্বার্থত দায়বদ্ধ

ভিতৰৰ পৃষ্ঠাত

আধুনিক প্রযুক্তিত কণ... পৃষ্ঠা ৪
আধুনিক সমাজৰ প্রত্যাহ্বান... পৃষ্ঠা ৫
আনিছ উজ্ জামান পৃষ্ঠা ৭
এগৰাকী শিক্ষকৰ... পৃষ্ঠা ৮

■ Vol:14 ■ Issue: 10 ■ Guwahati ■ Wednesday ■ 7 October, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ১০ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৯ আহিন, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা



বাল্টি নৈৰ পাৰত নান্দনিক পৰিৱেশ

কঁহুৱা ফুলিল, শৰৎ আহিল

■ **নয়নজ্যোতি দাস ঃ** শাৰদীয় বতৰৰ আগমন ঘটিলেই প্রকৃতিয়ে সলাই পেলায় নিজৰ স্বাভাৱিক ৰূপ আৰু এই পৰিৱর্তনে মানুহৰ মনলৈ কঢ়িয়াই আনে এক অনাবিল প্রশান্তি। তামুলপুৰ জিলাৰ তামুলপুৰ-ওদালগুৰি সংযোগী ব্যস্ত পথছোৱাৰে অহা-যোৱা কৰা প্রতিজন পথচাৰীৰ মন এতিয়া মুহি পেলাইছে বাল্টি নৈৰ বুকুত প্রস্ফুটিত হোৱা শুভ্র কঁহুৱাৰ অপৰূপ শোভাই। নদীখনৰ দুয়োপাৰৰ বিস্তীর্ণ বালিময় অঞ্চলত এতিয়া বতাহৰ তালে তালে হালি-জালি নাচি উঠিছে কঁহুৱাৰ স্নিগ্ধ টো, যিয়ে সকলোকে সোঁৱৰাই দিছে মা দুর্গাৰ বন্দনাৰ ক্ষণ সমাগত। এই অপৰূপ দৃশ্যপটে মনত পেলাই দিয়ে সুধাকণ্ঠ ■ *দুই পৃষ্ঠাত*

বহিঃৰাজ্যলৈ প্রেৰণ ২ লাখ টকাৰ সামগ্রী

মেটেকাৰে সামগ্রী প্রস্তুত কৰি স্বাৱলম্বী কামৰূপৰ বৰুৱাজানীৰ মহিলা

সঞ্জীৱনী গ্রাম্য সংগঠনক ভুয়সী প্রশংসা

■ **বসন্ত কোঁৰৰ ঃ** অসমৰ গ্রাম্য অর্থনীতিৰ উত্তৰণ আৰু মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ দিশত আশাৰ ৰেঙণি কঢ়িয়াই আনিছে কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্রৰ অন্তর্গত বৰুৱাজানী গাঁৱৰ একাংশ মহিলাই। সাধাৰণতে পুখুৰী বা জলাশয়ত পেলনীয়া অপতৃণ হিচাপে গজি উঠা মেটেকাক বিজ্ঞানসম্মতভাৱে শুকুৱাই এই মহিলাসকলে ■ *১১ পৃষ্ঠাত*



বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় উদ্বোধন মুখ্যমন্ত্রীৰ

ৰাজ্যত ১৭ খনলৈ বৃদ্ধি মেডিকেল কলেজ



ষ্টাফ ৰিপৰ্টাৰ ঃ ৰাজ্যৰ প্রতিটো প্রান্তত বিকাশ আৰু উন্নয়নৰ কার্যসূচী অব্যাহত ৰাখি মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই যোৱা সোমবাৰে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খন উদ্বোধন কৰে। ইয়াৰ ফলত ৰাজ্যত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সংখ্যা ১৭ খনলৈ বৃদ্ধি পালে। মুখ্যমন্ত্রীয়ে লগতে বঙাইগাঁও সংহত জিলা আয়ুক্তৰ কার্যালয়ো উদ্বোধন কৰে। ইয়াৰ পিছতে বঙাইগাঁৱৰ মাজগাঁৱত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্রী ড° শর্মাই আভাসীয়ভাৱে অভয়াপুৰীৰ কছাৰীপাৰাত আদর্শ আৱাসিক বিদ্যালয়, তুলুঙীয়াত পণ্ডিত দীনদয়াল উপাধ্যায় ■ *১১ পৃষ্ঠাত*

ইতিহাস ৰচি ডিব্রুগড়ৰ পৰা ঢাকালৈ যাত্রা ডিএলবি পাটকাইৰ

অসম ভূমি সেৱা, ডিব্রুগড় ঃ স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰি ডিব্রুগড়ৰ পৰা প্রথম আন্তঃৰাষ্ট্রীয় মালবাহী জাহাজৰ যাত্রা যোৱা সোমবাৰৰ পৰা আৰম্ভ হৈছে। কেন্দ্রীয় চৰকাৰৰ বন্দৰ-জাহাজ পৰিবহন আৰু জলপথ মন্ত্রী সর্বানন্দ সোণোৱালে ডিব্রুগড়ৰ বগীবিল টার্মিনেলত আয়োজিত এক গাম্ভীর্যপূর্ণ অনুষ্ঠানত এই যাত্রাৰ আৰম্ভণি কৰে। নামৰূপত থকা অসম পেট্রকেমিকেলছে উৎপাদন কৰা ৫৪০ টন মিথানল কঢ়োৱা ডিএলবি পাটকাই জাহাজখনক কেন্দ্রীয় মন্ত্রীগৰাকীয়ে বাংলাদেশৰ ঢাকাত থকা ■ *দুই পৃষ্ঠাত*



২০ নৱেম্বৰত মুক্তি পাব নতুন অসমীয়া ছবি ‘অদৃশ্য’

টি’জাৰ মুকলি কৰে গৰিমা শইকীয়া গার্গে

ষ্টাফ ৰিপৰ্টাৰ ঃ নাম প্রকাশৰ পাছতেই অসমৰ চলচ্চিত্রপ্রেমীৰ মাজত বিশেষ কৌতূহল তথা আগ্রহৰ সৃষ্টি কৰা নতুন



অসমীয়া ছবি ‘অদৃশ্য’ৰ আকর্ষণীয় টি’জাৰটো যোৱা সোমবাৰে মুকলি কৰা হয়। ছবিখনৰ সমূহ কলা-কুশলীৰ উপস্থিতিত ৰাজগড়ৰ কাদম্বৰী কানেক্টিভত আয়োজিত এক অনুষ্ঠানৰ জৰিয়তে অসমৰ ৰাইজলৈ ■ *দুই পৃষ্ঠাত*

হাঁহিৰ মাজেৰে মানৱীয়তাৰ সন্ধান

■ **ড° সীমান্ত বৰুৱা**

হাঁহিলে তুমি মুকুতা মণি সৰে...
দুচকু ভৰিলেও মন নভৰে।
বেদনাৰ জলা জুই কেতিয়া
নুমাবা
মৰমৰ বৰষাৰে অনামিকা...
কলিজা ৰঙা কৰি উজ্বলি আছা।
— জুবিন গার্গ।

এটি সৰু হাঁহিয়ে কেতিয়াবা এখন ডাঙৰ দুৱাৰ খুলি দিয়ে। মানুহৰ মুখৰ হাঁহি কেৱল আনন্দৰ প্রকাশ নহয়। এই হাঁহি বিশ্বাস, আন্তৰিকতা, বন্ধুত্ব, সহমর্মিতা আৰু মানৱীয়তাৰো এক সৰল ভাষা। ভাষা, জাতি, ধর্ম, বর্ণ বা দেশৰ সীমা অতিক্রম কৰি হাঁহিয়ে মানুহক মানুহৰ সৈতে সংযোগ কৰে। সেইবাবেই প্রতি বছৰে অক্টোবৰৰ প্রথম সপ্তাহত পালন কৰা বিশ্ব হাঁহি দিৱসে আজিৰ ব্যস্ত আৰু মানসিক চাপপূর্ণ জীৱনত হাঁহিৰ প্রয়োজনীয়তাক নতুনকৈ মনত পেলাই দিয়ে।

বিশ্ব হাঁহি দিৱসৰ ইতিহাসৰ সৈতে জড়িত হৈ ■ *দুই পৃষ্ঠাত*

প্ৰথম পৃষ্ঠাৰ পৰা ঃ — হাঁহিৰ মাজেৰে মানৱীয়তাৰ

আছে বিশ্বজুৰি জনপ্ৰিয় হোৱা "Smiley Face"ৰ স্ৰষ্টা আমেৰিকান শিল্পী হার্ভে বল। ১৯৬৩ চনত তেওঁ এটা সৰল হালধীয়া মুখমণ্ডলত দুটা চকু আৰু এটি বাঁকা হাঁহিৰ ৰেখাৰে যি প্ৰতীক সৃষ্টি কৰিছিল, পৰৱৰ্তী সময়ত সেইটোৱেই আনন্দ আৰু ইতিবাচকতাৰ বিশ্বজনীন প্ৰতীকত পৰিণত হয়। কিন্তু শিল্পী হার্ভে বলৰ বাবে হাঁহিৰ প্ৰতীকটো কেৱল ব্যৱসায়িক বা বাণিজ্যিক চিহ্ন নাছিল। তেওঁ বিচাৰিছিল যে মানুহে অন্ততঃ এটা দিন নিজৰ ব্যক্তিগত স্বাৰ্থৰ বাহিৰলৈ ওলাই আনৰ বাবে কিবা এটা ভাল কাম কৰক আৰু হাঁহি বিলাই দিয়ক। এই চিন্তাৰ পৰাই ১৯৯৯ চনৰ ১ অক্টোবৰত প্ৰথম বিশ্ব হাঁহি দিৱস অনুষ্ঠিত হয়। তাৰ পাছৰ পৰা প্ৰতি বছৰে অক্টোবৰৰ প্ৰথম শুকুৰবাৰে এই দিৱস পালন কৰি অহা হৈছে যদিও এই বছৰ মাহৰ তাৰিখ আৰু বাৰৰ হেৰফেৰ হোৱাৰ বাবে ৬ অক্টোবৰ দিনটোত একাংশ দেশত হাঁহি দিৱস আয়োজন কৰা হৈছে।

এই দিৱসৰ মূল বার্তা অতি সৰল। মানুহৰ হাঁহি এদিনৰ বাবে নহয়। জীৱনৰ প্ৰতিটো দিনতে অধিক হাঁহি, সদয়তা আৰু অধিক মানৱীয়তা গুণৰ অধিকাৰী হ'ব লাগে। মানুহৰ জীৱনত হাঁহিৰ স্থান অতি গভীৰ। এটি আন্তৰিক হাঁহিয়ে অচিনাকি মানুহৰ মাজতো পৰিচিতিৰ অনুভূতি সৃষ্টি কৰিব পাৰে। বিষণ্ণ মানুহৰ মনত অলপ আশাৰ সঞ্চাৰ কৰিব পাৰে। শিশুৰ বাবে ই নিৰাপত্তাৰ অনুভূতি, বৃদ্ধৰ বাবে সান্নিধ্য আৰু অসুস্থ মানুহৰ বাবে মানসিক সাহসৰ উৎস হ'ব পাৰে। কিন্তু হাঁহি মানে সমস্যাক অস্বীকাৰ কৰা নহয়। জীৱনত দুখ, হতাশা, ব্যৰ্থতা, উদ্বেগ আৰু সংকট থাকিবই। সেইবোৰ ঢাকি ৰাখিবলৈ জোৰকৈ হাঁহিব লাগিব তেনে নহয়। বৰং ইয়াৰ মূল শিক্ষা হৈছে, কঠিন সময়তো মানুহে মানুহৰ কাষত থিয় হ'ব লাগে। কেতিয়াবা এটা হাঁহি, অলপ মৰমৰ কথা, এটা সহানুভূতিশীল আচৰণে এজন মানুহক অনুভৱ কৰাব পাৰে যে তেওঁ অকলশৰীয়া নহয়।

অসম প্ৰকৃতি, সংস্কৃতি আৰু মানৱীয় সম্পদেৰে সমৃদ্ধ এখন ৰাজ্য। ব্ৰহ্মপুত্ৰৰ বিশালতা, সেউজীয়া পথাৰ, বিহুৰ উলাহ, নামঘৰৰ প্ৰাৰ্থনা, সত্ৰীয়া সংস্কৃতি, লোকগীত আৰু সামাজিক সম্প্ৰীতি আদিবোৰৰ মাজত অসমীয়া জীৱনৰ এক স্বাভাৱিক সৰলতা আৰু হাঁহি লুকাই আছে। কিন্তু আধুনিক জীৱনৰ পৰিৱৰ্তনৰ সৈতে সেই স্বাভাৱিক আনন্দৰ ওপৰত বিভিন্ন চাপো বৃদ্ধি পাইছে। শিক্ষাৰ প্ৰতিযোগিতা, চাকৰিৰ অনিশ্চয়তা, অৰ্থনৈতিক চাপ, নগৰীয়া ব্যস্ততা, পাৰিবাৰিক দূৰত্ব, সামাজিক মাধ্যমৰ অত্যধিক নিৰ্ভৰশীলতা আৰু ভৱিষ্যৎ সম্পৰ্কীয় উদ্বেগে বহু মানুহৰ মানসিক স্বাস্থ্যক প্ৰভাৱিত কৰে। বিশেষকৈ যুৱ প্ৰজন্মৰ ক্ষেত্ৰত একে সময়তে সফলতা লাভৰ সামাজিক চাপ আৰু নিজৰ সৈতে আনক তুলনা কৰাৰ প্ৰৱণতাই মানসিক অশান্তি বৃদ্ধি কৰিব পাৰে। এই পৰিস্থিতিত হাঁহি দিৱসৰ তাৎপৰ্য কেৱল আনন্দ উৎসৱৰ মাজতে সীমাবদ্ধ নহয়। ই আমাক মানসিক সুস্থতা, সামাজিক সম্পৰ্ক আৰু পাৰস্পৰিক সহমৰ্মিতাৰ কথাও ভাবিবলৈ বাধ্য কৰে।

অসম চৰকাৰৰ বিভিন্ন কার্যসূচীতো ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্য আৰু আৱেগিক কল্যাণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বিদ্যালয়সমূহত মানসিক সুস্থতা সম্পৰ্কীয় সজাগতা, 'Happiness Zones' আৰু 'Wellness Corners', লগতে চাপ, bullying আৰু শিক্ষাগত হেঁচা সম্পৰ্কীয় সমস্যাৰ কথা প্ৰকাশ কৰাৰ ব্যৱস্থাৰ দৰে পদক্ষেপ গ্ৰহণ কৰা হৈছে। একেদৰে অসমত District Mental Health Programmeৰ বিস্তাৰ ঘটিছে আৰু বর্তমান ৩৪ খন জিলাত এই কার্যসূচী চলি থকাৰ কথা স্বাস্থ্য বিভাগে উল্লেখ কৰিছে। মানসিক স্বাস্থ্যৰ সহায়ৰ বাবে Tele-MANAS 14416-ৰ ব্যৱস্থাও আছে। এই তথ্যবোৰে এটা কথা স্পষ্ট কৰে যে আজিৰ অসমত শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিক সুস্থতাকো সামাজিক উন্নয়নৰ কেন্দ্ৰীয় বিষয় হিচাপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে।

অসমীয়া সমাজৰ এটা শক্তিশালী দিশ হৈছে সামাজিক সম্পৰ্ক। গাঁৱৰ চোতাল, নামঘৰ, বিহুৰ মঞ্চ, উৎসৱ-পার্বণ, বিবাহ, সামাজিক অনুষ্ঠান আদিবোৰে মানুহক একেলগে আনে। কিন্তু আধুনিক জীৱনত মানুহ ওচৰতে থাকিও কেতিয়াবা মানসিকভাৱে দূৰ হৈ পৰিছে। সামাজিক মাধ্যমত হাজাৰজন 'বন্ধু' থাকিলেও বাস্তৱ জীৱনত মনৰ কথা ক'ব পৰা মানুহৰ সংখ্যা কমি যাব পাৰে। সেয়ে হাঁহি দিৱসে আমাক পুনৰ সোঁৱৰাই দিয়ে যে ডিজিটেল যোগাযোগৰ লগতে প্ৰত্যক্ষ মানৱীয় যোগাযোগো সমানেই প্ৰয়োজনীয়। এজন শিক্ষকে এজন ছাত্ৰক উৎসাহ দিয়াৰ এটি হাঁহি, চিকিৎসকে ৰোগীৰ সৈতে কৰা এটি আন্তৰিক আচৰণ, অভিভাৱকে সন্তানক দিয়া আশ্বাস, বয়োজ্যেষ্ঠজনৰ সৈতে যুৱকৰ এটি মৰমৰ কথা-বার্তা আদিবোৰো সমাজ গঢ়াৰ শক্তি।

বিশ্ব হাঁহি দিৱসৰ গভীৰতম শিক্ষা হয়তো এইটোৱেই যে হাঁহি এটা আচৰণগত মূল্যবোধ। আনক অপমান নকৰা, বিপদত সহায় কৰা, দুর্বলজনৰ কথা মন দি শুনা, ভুল কৰা মানুহক দ্বিতীয় সুযোগ দিয়া, বৃদ্ধজনক সন্মান কৰা, শিশুৰ অনুভূতিক গুৰুত্ব দিয়া আদি এই সকলোবোৰেই হাঁহিৰ সামাজিক ৰূপ। সেয়ে বিদ্যালয়, মহাবিদ্যালয়, কার্যালয়, চিকিৎসালয় আৰু সামাজিক প্ৰতিষ্ঠানসমূহত কেৱল অনুষ্ঠান অনুষ্ঠিত কৰাই যথেষ্ট নহয়। পৰস্পৰৰ প্ৰতি সন্মান, সহানুভূতি আৰু ইতিবাচক যোগাযোগৰ সংস্কৃতি গঢ়ি তোলাটোহে অধিক গুৰুত্বপূর্ণ।

সমগ্ৰ বিশ্বৰ আগন্তুক সময়বোৰ প্ৰযুক্তিনির্ভৰ হ'ব বুলি ক'ব পাৰি। কৃত্ৰিম বুদ্ধিমত্তা, স্বয়ংক্ৰিয়তা আৰু ডিজিটেল যোগাযোগে জীৱন সহজ কৰিব। কিন্তু মানুহৰ আৱেগ, সহানুভূতি আৰু আন্তৰিক সম্পৰ্কৰ প্ৰয়োজনীয়তা কেতিয়াও শেষ নহয়। বৰং প্ৰযুক্তিনির্ভৰ সমাজত মানুহে যিমানেই ভার্চুৱেল জগতত সোমাই যাব, সিমানেই বাস্তৱ মানৱীয় সম্পৰ্কৰ মূল্য বৃদ্ধি পাব।

ভৱিষ্যতে বিশ্ব হাঁহি দিৱসক কেৱল 'Smile Day' হিচাপে নহয়, মানসিক সুস্থতা, সামাজিক সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধৰ দিৱস হিচাপেহে পালন কৰিব লাগিব বুলি ক'ব পাৰি। বিদ্যালয়ত 'এজন বন্ধুক উৎসাহ দিয়া', মহাবিদ্যালয়ত 'শুনা আৰু বুজা' অভিযান, চিকিৎসালয়ত ৰোগী পৰিচাৰিকাৰ আচৰণ, বৃদ্ধাশ্ৰমত সান্নিধ্য প্ৰদান, সমাজত নিঃস্বার্থ সেৱা আদি ধৰণৰ কার্যসূচীয়ে দিৱসটোৰ অর্থ অধিক গভীৰ কৰিব পাৰে। বিশেষকৈ শিশুক সৰুৰে পৰা এই শিক্ষা দিয়া প্ৰয়োজন যে সফলতা মানে কেৱল নম্বৰ, চাকৰি বা ধন নহয়। সুস্থ মন, সুস্থ সম্পৰ্ক আৰু আনৰ মুখত হাঁহি বিৰিঙাব পৰা ক্ষমতাও সফল জীৱনৰ অংশ হ'ব পাৰে।

এটি হাঁহিৰ কোনো মূল্য নাথাকিব পাৰে; কিন্তু তাৰ প্ৰভাৱৰ মূল্য অসীম। এটি হাঁহিয়ে দূৰত্ব কমাব পাৰে, ভুল বুজাবুজি ভাঙিব পাৰে, বন্ধুত্বৰ আৰম্ভণি কৰিব পাৰে আৰু হতাশ মনত আশাৰ বীজ সিঁচিব পাৰে। সেয়ে বিশ্ব হাঁহি দিৱসৰ মূল আহ্বান কেৱল 'হাঁহক' নহৈ 'আনক হাঁহিবলৈ দিয়ক।' নিজৰ সুখৰ লগতে আনৰ সুখৰ কথাও ভাবক। ব্যস্ততাৰ মাজতো মানুহৰ বাবে অলপ সময় উলিয়াওক। কাৰণ এখন সুস্থ সমাজ কেৱল উন্নত ৰাস্তা, অট্টালিকা আৰু প্ৰযুক্তিৰে গঢ়ি নুঠে, ই গঢ়ি উঠে মানুহৰ মাজৰ বিশ্বাস, সহমৰ্মিতা আৰু আন্তৰিকতাৰে। আজিৰ উদ্বিগ্ন পৃথিৱীত সেয়ে এটি সৰু হাঁহি হয়তো সৰু কথা নহয়। ই হ'ব পাৰে মানৱীয়তাৰ আটাইতকৈ সহজ, আটাইতকৈ কোমল আৰু আটাইতকৈ শক্তিশালী ভাষা। সমাজত বসবাস কৰা সকলোৱে হাঁহক কিন্তু কেৱল নিজৰ বাবেই নহয়, আনৰ মুখতো হাঁহি বিৰিঙাবলৈ চেষ্টা কৰক। (সংগৃহীত)

কঁহুৱা ফুলিল, শৰৎ আহিল

ড° ভূপেন হাজৰিকাৰ সেই চিৰসেউজ পংক্তি- 'কঁহুৱা বন মোৰ অশান্ত মন, আলফুল হাতেৰে লোৱা সাৱটি...'। ব্যস্ততাপূর্ণ দৈনন্দিন জীৱনৰ মাজতো বহু লোকে তামুলপুৰ-ওদালগুৰি পথৰ বাল্টি নৈৰ দলঙৰ কাষত ৰৈ কঁহুৱাৰ এই নৈসর্গিক দৃশ্য উপভোগ কৰাৰ সমান্তৰালকৈ ম'বাইলৰ ফ্ৰেমত আৱদ্ধ কৰিছে প্ৰকৃতিৰ এনে মোহনীয় মুহূর্ত। বিশেষকৈ বিয়লিৰ পৰন্ত ৰ'দত নৈৰ দুয়োপাৰে ফুলা এই কঁহুৱা বনে সৃষ্টি কৰা মায়াময় পৰিৱেশে আকর্ষণ কৰিছে অঞ্চলটোৰ বহু যুৱক-যুৱতী তথা প্ৰকৃতিপ্ৰেমীক। নদীখনৰ সমীপৱর্তী লাউপাৰাৰ স্থানীয় বাসিন্দা গৌতম হালৈয়ে জানিবলৈ দিয়া মতে, শৰৎ ঋতুৰ আৰম্ভণিতে বাল্টি নৈৰ পাৰত ফুলা এনে কঁহুৱাই সমগ্ৰ অঞ্চলটোত উৎসৱৰ সুবাস ছটিয়াই দিয়ে আৰু অঞ্চলটোৰ সৌন্দর্য বহুগুণে বৃদ্ধি কৰে। ব্যস্ত পথটোৰ কাষতেই প্ৰকৃতিৰ এনে শুভ্ৰ সম্ভাৰে তামুলপুৰৰ বুকুত দেৱী আগমনৰ এক শান্ত, পৰিত্ৰ আৰু নান্দনিক বাতাবৰণ গঢ়ি তুলিছে।

ইতিহাস ৰচি ডিব্ৰুগড়ৰ পৰা ঢাকালৈ


পানগাঁও বন্দৰৰলৈ বুলি চুইছ অ'ন কৰি যাত্ৰাৰ শুভাৰম্ভণ কৰে। ব্ৰহ্মপুত্ৰ নদীৰে (ৰাষ্ট্ৰীয় জলপথ ২) ডিব্ৰুগড়ৰ পৰা বিদেশী বন্দৰৰলৈ পণ্য পৰিবহনৰ এই যাত্ৰাই অসমৰ বাবে পুনৰ এবাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দুৱাৰমুখ প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা কঢ়িয়াই আনিছে। এই ব্যৱস্থাই উদ্যোগসমূহৰ বাবে কম ব্যয় সাপেক্ষ সেউজ আৰু দ্ৰুত পণ্য পৰিবহণৰ সুবিধা, নতুন কর্মসংস্থান আৰু অর্থনৈতিক সুযোগ সৃষ্টি, আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক সম্পর্কৰ সুদৃঢ়কৰণকে ধৰি ৰাজ্যৰ অর্থনৈতিক ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব। এই ঐতিহাসিক অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী চৰণ বড়ো, ৰামেশ্বৰ তেলী, বিমল বড়া আৰু সুশান্ত ৰবগোহাঁই, সাংসদ তেৰশ গোৱালা, বিধায়কসকলক ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, সঞ্জয় কিষাণ, সুৰেন ফুকন, বিনোদ হাজৰিকা, ভাস্কৰ শর্মা, তৰংগ গগৈ আৰু পুলক গোহাঁই সন্মানীয় অতিথিৰূপে উপস্থিত থকাৰ বিপৰীতে অসম মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই অনুষ্ঠানত ভার্চুৱেলী অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ অন্তর্দেশীয় জলপথ প্ৰাধিকৰণৰ অধ্যক্ষ সুশীল কুমাৰ লোহানী আৰু অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল চন্দ্ৰ ডেকাও এই অনুষ্ঠানত অতিথিৰূপে উপস্থিত আছিল।

২০ নৱেম্বৰত মুক্তি পাব নতুন

আগবঢ়াই দিয়া হয় টি'জাৰটো। টি'জাৰতো মুকলি কৰে গৰিমা শইকীয়া গার্গে। উল্লেখ্য যে অহা ২০ নৱেম্বৰৰ অসমৰ সমূহ চিত্ৰগৃহত মুক্তি লাভ কৰিব এই পাৰিবাৰিক ৰহস্যধর্মী অসমীয়া ছবিখনে। অসমৰ সাংস্কৃতিক জগতৰ দুই তাৰকা যতীন বৰা আৰু তপন দাসে মুখ্য চৰিত্ৰত অভিনয় কৰা এই ছবিখনক লৈ স্বাভাৱিকতে বৃদ্ধি পাইছে উৎকণ্ঠা। টিজাৰ মুকলিৰ লগে লগে 'অদৃশ্য'ক লৈ দর্শকৰ মাজত উৎসুকতা বৃদ্ধি পোৱাটো নিশ্চিত। এক ৰহস্যময় আৰু ৰোমাঞ্চকৰ পৰিৱেশৰ আভাস দিয়া টিজাৰটোৱে ছবিখনৰ কাহিনী আৰু চৰিত্ৰসমূহক লৈ একাধিক প্ৰশ্নৰ অৱকাশ ৰাখিছে। ছবিখনৰ মূল ৰহস্য কি, 'অদৃশ্য' শিৰোনামটোৰ আঁৰত লুকাই থকা কাহিনী কি —এই প্ৰশ্নসমূহৰ উত্তৰ জানিবলৈ এতিয়া অপেক্ষা ছাঁ কৰিব লাগিব ছবিখনৰ মুক্তিলৈ। ৰাষ্ট্ৰীয় বঁটা বিজয়ী চলচ্চিত্ৰ নির্মাতা সমুজ্জল কাশ্যপৰ পৰিচালনা আৰু সম্পাদনাৰে নির্মিত 'অদৃশ্য'? ছবিখনৰ কাহিনী, চিত্ৰনাট্য আৰু সংলাপ লিখিছে জনপ্ৰিয় চিত্ৰনাট্যকাৰ, গীতিকাৰ তথা নাট্যকাৰ ৰাজদ্বীপে। ছবিখনৰ মুখ্য দুটা চৰিত্ৰত অভিনয় কৰিছে অসমৰ দুগৰাকী জনপ্ৰিয় তথা বলিষ্ঠ অভিনেতা তপন দাস আৰু যতীন বৰাই। আন গুৰুত্বপূর্ণ চৰিত্ৰসমূহত দেখা যাব প্ৰিয়ম পল্লৱী, প্ৰণামী বৰা, হিমাংশু প্ৰসাদ দাসৰ লগতে আন বহু জনপ্ৰিয় তথা প্ৰতিভাৱান শিল্পীক। 'অদৃশ্য' ছবিখন যৌথভাৱে প্ৰযোজনা কৰিছে Sixth Sense Symphony-এ। সংস্থাটোৰ হৈ প্ৰযোজক হিচাপে আছে দীপক বাজাজ, হিমাংক শর্মা, নয়নজিৎ দাস, সমুদ্ৰ কাশ্যপ আৰু নিলাক্ষী শর্মা। ইয়াৰ লগতে Kadambari Connectiveৰ হৈ সমুজ্জল কাশ্যপ আৰু JB Productionৰ হৈ যতীন বৰা আৰু নৱনীতা শর্মাই ছবিখনৰ প্ৰযোজনাৰ দায়িত্বত আছে। ছবিখনৰ চিত্ৰগ্ৰহণৰ দায়িত্বত আছে সৌৰভ বেনার্জী। সংগীত পৰিচালনা কৰিছে ৰূপম ভূঞা আৰু ৰাকেশ বাৰোৱে। কালাৰ গ্ৰেডিং কৰিছে গোবিন্দ নাস্কৰ আৰু শব্দ পৰিকল্পনা কৰিছে জ্যোতি চেতিয়াই। ছবিখনৰ গীতসমূহ লিখিছে ৰাজদ্বীপ, জেছিম আহমেদ, কেশৰ জ্যোতি দাস আৰু মৈত্ৰেয়ী পাটবে। গীতসমূহত কণ্ঠদান কৰিছে জয় বৰুৱা, ৰূপম ভূঞা, জুবলী বৰুৱা, নীল আকাশ, এৰেকা আৰু ৰাকেশ বাৰোৱে। পোষ্ট-প্ৰডাকচন টীমত আছে গৌতম মজুমদাৰ (Associate Editor), চিন্ময় দত্ত (Chief Assistant Director), হিৰো ৰবগোহাঁই আৰু সমুদ্ৰ দত্ত (Assistant Directors), কাব্য হাজৰিকা (Intern Assistant Director), অভিজিৎ সন্দিকৈ (VFX), চন্দন ডেকা (Art Director), পংকজ হাজৰিকা (Hair Design & Makeup), ৰাণী দত্ত বৰুৱা (Costume Design), দীপন এ. বৰুৱা (Production Controller), পুলক কৃষ্ণ বৰুৱা (Location Sound), ঈশান হাজৰিকা (Graphics) আৰু কৌশিক প্ৰতিম বৰা (Stills & BTS)। 'অদৃশ্য'ৰ টি'জাৰ মুকলিৰ জৰিয়তে ছবিখনৰ মুক্তিৰ বাবে কাউণ্টডাউন আৰম্ভ হ'ল। ৰহস্য আৰু ৰোমাঞ্চৰে ভৰা এই নতুন অসমীয়া ছবিখনে দর্শকক এক নতুন অভিজ্ঞতা প্ৰদান কৰিব বুলি আশাবাদী ছবিখনৰ নির্মাতাসকল। অহা ২০ নৱেম্বৰত অসমৰ ছবিগৃহত মুক্তি লাভ কৰিব 'অদৃশ্য'।

পঞ্চায়ত কর্মচাৰীৰ পত্নী-সদস্য-আঢ্যৰন্তৰ নাম প্রধান মন্ত্রী আবাস যোজনাৰ গৃহৰ তালিকাত অন্তর্ভুক্তক লৈ প্রতিক্রিয়া

ববক্ষেত্রী উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়তত অৰাজকতা



অসম ভূমি সেৱা, জাগাৰা ঃ নলবাৰী জিলাৰ ববক্ষেত্রী উন্নয়ন খণ্ডৰ অধীনত থকা প্রতিখন গাঁও পঞ্চায়ততে শেহতীয়াভাৱে প্রকাশ পোৱা প্রধান মন্ত্রী আবাস যোজনাৰ গৃহ তালিকাক লৈ বিভিন্নজনৰ মাজত প্রতিক্রিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা ১৮ ছেপ্টেম্বৰত প্রকাশ পোৱা চৰকাৰী গৃহৰ তালিকাখনৰ পৰা বহু প্রাপ্য লোক বাদ পৰে আৰু ইয়াৰ বিপৰীতে অন্তর্ভুক্ত হয় বহু আঢ্যৰন্ত লোকৰ নাম। তেনেদৰে ৫৪ নং জাগাৰা-নপ্তিপাৰা গাঁও পঞ্চায়তৰ অন্তর্গত জাগাৰা, ১ নং নপ্তিপাৰা, ২ নং নপ্তিপাৰা, আহটা আৰু নলিছা গাঁৱক সাঙুৰি প্রস্তুত কৰা ১,২১৬ জনীয়া গৃহ তালিকাখনক লৈ ৰাইজ খৰ্গহস্ত হৈ পৰিছে। উক্ত তালিকাখনত হিতাধিকাৰী হিচাপে অন্তর্ভুক্ত হৈছে পঞ্চায়ত সদস্য, পঞ্চায়ত কর্মচাৰীৰ পত্নী, চৰকাৰী পেন্সনাৰৰ পত্নীকে ধৰি বহু আঢ্যৰন্ত লোকৰ নাম। হাতত পৰা তালিকা অনুসৰি ক্রমিক নম্বৰ ১,২১০ (আই ডি নম্বৰ ২০৮৬৮৮১৩৬)ত হিতাধিকাৰী হিচাপে অন্তর্ভুক্ত হৈছে পঞ্চায়তখনৰ ছয় নম্বৰ ৰার্ডৰ সদস্যা চুমি বৰা নাথ, স্বামী কমল নাথ। তেনেদৰে ক্রমিক নম্বৰ ৫৬৩ (আই ডি নম্বৰ ২০৮৪৮৯৫৪৭)ত এক নম্বৰ ৰার্ডৰ সদস্য বাবুল ডেকাৰ পত্নী দীপিকা ডেকাৰ নাম অন্তর্ভুক্ত হৈছে। ৫৮৭ নম্বৰ (আই ডি নম্বৰ ২০৯৫৫৬৩৬১)ত চাৰি নম্বৰ ৰার্ডৰ সদস্যা মামণি বেগম স্বামী ইছলাম আলী, ২৮৩ নম্বৰ (আই ডি নম্বৰ ২০৯৯৪৭৫২৭)ত ১০ নম্বৰ ৰার্ডৰ সদস্যা মর্জিনা বেগম স্বামী হবিবুদ্দিন আহমেদৰ হিতাধিকাৰীৰ তালিকাত নাম সন্নিৰিষ্ট হৈছে। ককয়া-বর্ণিবাৰী গাঁও পঞ্চায়তৰ কর্মচাৰী ঘনকান্ত বর্মনৰ পত্নী অঞ্জু বর্মন (ক্রমিক নম্বৰ ১,০৬৭ আই ডি-২১০২৩৬৫১১)ৰ লগতে জাগাৰা, নলিছা আৰু নপ্তিপাৰাৰ বহুকেইটা আঢ্যৰন্ত পৰিয়ালৰ নাম তালিকাত অন্তর্ভুক্ত হোৱাক লৈ পঞ্চায়তখনৰ অধীনৰ লোকসকলৰ মাজত প্রতিক্রিয়াৰ সৃষ্টি হৈছে। আনকি উক্ত তালিকাখনত অট্টালিকা থকা ব্যক্তিৰ নামো সন্নিৰিষ্ট হৈছে। উল্লেখ্য যে দুই-তিনিবাৰলৈকে গৃহ তালিকাত নাম থকাৰ পাছতো শেহতীয়াকৈ প্রকাশিত তালিকাৰ পৰা বহু দৰিদ্র লোকৰ নাম আশ্চর্যজনকভাৱে বাদ পৰিছে। ৰাজহুৱা অভিযোগ অনুসৰি শেষবাৰ চলোৱা 'ছার্ভে'ত ধনৰ লেনদেন চলিছে যাৰ বাবে অট্টালিকা থকা লোকৰ নামো হিতাধিকাৰীৰ তালিকাত সোমাইছে। সেয়েহে পঞ্চায়ত সদস্য-সদস্যা, পঞ্চায়তৰ কর্মচাৰীৰ পত্নী, পঞ্চায়ত বিষয়ববীয়াৰ অঙহী-বঙহী, আঢ্যৰন্ত লোকৰ নাম সন্নিৰিষ্ট তালিকাখনক লৈ বিভাগীয় কর্তৃপক্ষই কি ব্যৱস্থা গ্রহণ কৰে সেয়া লক্ষণীয় হ'ব। এই সন্দর্ভত চৰকাৰী গৃহ তালিকাৰ পৰা বাদ পৰা পুৰুষ-মহিলাসকলে পঞ্চায়ত কার্যালয়ত ভিৰ কৰি কি কাৰণত শেহতীয়া তালিকাত তেওঁলোকৰ নাম অন্তর্ভুক্ত নহ'ল ইয়াক লৈ পঞ্চায়তখনৰ সভানেত্রী, সদস্য-সদস্যা আৰু কর্মচাৰীসকলক জবাবদিহি কৰি তোলে। আনহাতে বঞ্চিত লোকসকলে অচিৰেই এক প্রতিবাদী কার্যসূচী গ্রহণ কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে পঞ্চায়তখনত কেৱল গৃহ তালিকাতেই নহয় বিভিন্ন কাম-কাজৰ ক্ষেত্রতো অৰাজকতাৰ সৃষ্টি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এইক্ষেত্রত সচেতন ৰাইজে জিলা আয়ুক্তৰ হস্তক্ষেপ বিচাৰিছে।

অসম অভিযান্ত্রিক মহাবিদ্যালয়ত ৰক্তদান শিবিৰ সম্পন্ন

গুৱাহাটি ঃ যোৱা ৩০ ছেপ্টেম্বৰত অসম অভিযান্ত্রিক মহাবিদ্যালয়, জালুকবাৰীত অসম অভিযান্ত্রিক মহাবিদ্যালয় আভ্যন্তৰীণ মান নির্ণায়ক কোষ, ছাত্র একতা সভা আৰু হেল্‌থ চিটি হাস্পতাল, গুৱাহাটীৰ সহযোগত এদিনীয়া ৰক্তদান শিবিৰ অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ অধ্যাপক ড° প্লাৱন কাকতিৰ নেতৃত্বত আৰু হেল্‌থ চিটিৰ ৰক্ত সঞ্চায়ন বিভাগৰ মুৰব্বী ডাঃ কস্তুৰী কলিতাৰ নিৰীক্ষণত মহাবিদ্যালয়ৰ মেকানিকেল ইঞ্জিনীয়াৰিং বিভাগত উক্ত ৰক্তদান কার্যসূচী সম্পন্ন হয়। ছাত্র একতা সভাৰ সমাজ কল্যাণ বিভাগৰ সম্পাদক নীহাৰ কাকতিয়ে জনোৱা মতে প্রত্যেক বিভাগ আৰু যাণ্মাসিকৰ ছাত্র-ছাত্রীৰ অভূতপূর্ব অংশগ্রহণৰে এই ৰক্তদান শিবিৰ সাফল্যমণ্ডিত কৰি তোলে। ইয়াৰ জৰিয়তে ৰক্তদান কৰিব পৰা উপযুক্ত ছাত্র-ছাত্রীৰ বাছনি কৰা হয়। ৪৮ জন ছাত্র-ছাত্রীৰ নমুনা এই ৰক্তদান কার্যসূচীত সংগ্রহ কৰা হয়। তাৰে ৪ টা মহিলাৰ আৰু ৪৪ টা পুৰুষৰ। ৰক্তদানৰ পিছত সুষম আহাৰৰ যোগান ধৰা হয়। অনুষ্ঠানত আগন্তুক এবছৰৰ ভিতৰত জৰুৰীকালীন পৰিস্থিতিত অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ যিকোনো ছাত্র-ছাত্রী বা শিক্ষক-কর্মচাৰীক হেল্‌থ চিটিয়ে বিনামূলীয়াকৈ ৪৮ ইউনিট ৰক্ত প্রদান কৰাৰ আশ্বাস দিয়ে। সমাজ কল্যাণ সম্পাদক কাকতিয়ে ভৱিষ্যতেও এনে কার্যসূচী ৰূপায়ণ কৰা হ'ব বুলি কয়।

গোৱৰাদলত গান্ধী জয়ন্তী-পূব নামবৰভাগ সমন্বয় মঞ্চৰ প্রতিষ্ঠা দিৱস পালন

অসম ভূমি সেৱা, টিহু ঃ যোৱা ২ অক্টোবৰত মহামানৰ মহাত্মা গান্ধীৰ প্রতি শ্রদ্ধা জনাই সমগ্র দেশজুৰি পালন কৰা হৈছে গান্ধী জয়ন্তী। দেশ আৰু ৰাজ্যৰ ভিন্ন প্রান্তৰ সমান্তৰালকৈ নলবাৰী জিলাৰ গোৱৰাদলস্থিত পূব নামবৰভাগ জাতীয় বিদ্যালয়ৰ প্রাংগণতো জাতিৰ পিতা মহামানৰ মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জয়ন্তী উদ্‌যাপন আৰু বেচৰকাৰী স্বেচ্ছাসেৱী সামাজিক অনুষ্ঠান পূব নামবৰভাগ সমন্বয় মঞ্চৰ ২৯ সংখ্যক প্রতিষ্ঠা দিৱস বিস্তৃত কার্যসূচীৰে অনুষ্ঠিত কৰা হয়। পুৱা পূব নামবৰভাগ সমন্বয় মঞ্চৰ সভাপতি হেমন্ত হাজৰিকাই সমন্বয় মঞ্চৰ পতাকা উত্তোলন কৰি কার্যসূচীৰ আৰম্ভ কৰাৰ পাছত মহামানৰ মহাত্মা গান্ধীৰ প্রতিমূর্তিৰ সন্মুখত বন্তি প্রজ্বলন কৰে সমন্বয় মঞ্চৰ প্রাক্তন সভাপতি প্রফুল্ল নাৰায়ণ দাসে আৰু মহাত্মা গান্ধীৰ প্রতিমূর্তিত মাল্যার্পণ কৰে বৃহত্তৰ অঞ্চলটোৰ সমাজকর্মী, জ্যেষ্ঠ নাগৰিক মনোহৰি বর্মনে। লগতে উপস্থিত সমন্বয় মঞ্চৰ বিষয়ববীয়া, পূব নামবৰভাগ জাতীয় বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্রী, ছাত্র-ছাত্রীয়ে মহাত্মা গান্ধীৰ প্রতিমূর্তিত পুষ্পাঞ্জলি প্রদান কৰে। পিছত পূব নামবৰভাগ সমন্বয় মঞ্চৰ সভাপতি হেমন্ত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সমন্বয় মঞ্চৰ সম্পাদক ধৰণীধৰ বর্মনে আঁত ধৰা আৰু অৱসৰপ্রাপ্ত শিক্ষক ক্রমে মদন মোহন দাস, অনিল চন্দ্র বর্মন, শিক্ষক জয়ন্ত বর্মন, নৰেশ চন্দ্র বর্মন, চন্দ্রধৰ দাস, অর্ণৱ বর্মন, কংকণ শর্মা, সমন্বয় মঞ্চৰ বিভিন্নগৰাকী বিষয়ববীয়া, পূব নামবৰভাগ জাতীয় বিদ্যালয়ৰ একাংশ ছাত্র-ছাত্রী,



শিক্ষক-শিক্ষয়িত্রী, প্রাক্তন ছাত্র উপস্থিত থকা সভাখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্রাপ্ত কর্মচাৰী গিৰীশ চন্দ্র আর্য বৈশ্য, সমন্বয় মঞ্চৰ প্রতিষ্ঠাপক সম্পাদক যোগেশ্বৰ ডেকা, অৱসৰপ্রাপ্ত শিক্ষক ক্রমে অর্জুন ডেকা, গণেশ চন্দ্র হালৈ, অৱসৰপ্রাপ্ত প্রধান শিক্ষক ৰমেশ শীল, যুৱ সমাজকর্মী অতুল চন্দ্র বৈশ্য, মঞ্চৰ প্রাক্তন সভাপতি প্রফুল্ল নাৰায়ণ দাস, শিক্ষক ধীৰেন বর্মনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বাধীনতা সংগ্রামত মহাত্মা গান্ধীৰ অৱদান, ব্যক্তিত্ব তেওঁৰ অহিংস নীতি, স্বচ্ছতা, মানৱীয়তা, স্বদেশী নীতিৰ ওপৰত ভাষণ আগবঢ়াই মহামানৰ মহাত্মা গান্ধীক শ্রদ্ধাৰে স্মৰণ কৰে। লগতে ভাষণ প্রসংগত পূব নামবৰভাগ সমন্বয় মঞ্চেই সময়ে সময়ে কৰি অহা বিভিন্ন কাম-কাজৰ বিষয়েও উল্লেখ কৰে। প্রতিষ্ঠা দিৱসত মঞ্চৰ তৰফৰ পৰা পূব নামবৰভাগ জাতীয় বিদ্যালয়ৰ দুগৰাকী জ্যেষ্ঠ শিক্ষক ক্রমে নির্মালি কলিতা আৰু তাৰিণীকান্ত বৈশ্যক সম্বর্ধনা জনায়।

নহিৰাত যোগেন্দ্র কুমাৰৰ গ্রন্থ 'গংগাজল' উন্মোচন

বিমল শর্মা ঃ 'সমাজ আৰু জাতিৰ গভীৰ সংকটৰ সময়ত শিল্পী-সাহিত্যিকে সকলো প্রত্যাহ্বান নেওচি শুদ্ধ মার্গ দর্শন কৰিব পাৰিব লাগে। তেতিয়াহে তেওঁলোক যুগে যুগে বন্দিত হৈ থাকিব।' অৱসৰপ্রাপ্ত শিক্ষক তথা লেখক যোগেন্দ্র কুমাৰৰ 'গংগাজল' শীর্ষক সংকলন এখন উন্মোচন কৰি সাংবাদিক বিমল শর্মাই যোৱা ২ অক্টোবৰত নহিৰাত এনেদৰে মন্তব্য কৰে। অম্বিকাগিৰী চেতনা মঞ্চ,



দক্ষিণ কামৰূপৰ সভাপতি মহেশ্বৰ ঠাকুৰীয়াৰ সভাপতিত্বত আৰু তেওঁৰ বাসগৃহ চৌহদত অনুষ্ঠিত উন্মোচনী সভাখনত গ্রন্থখনৰ সংকলক যোগেন্দ্র কুমাৰে জীৱনে দি অহা অনেক তিতা-মিঠা অভিজ্ঞতাই তেওঁক লিখিবলৈ শিকালে বুলি তাৎপর্যপূর্ণ মন্তব্য কৰে। লগতে কুমাৰে তেওঁৰ প্রয়াত পিতৃ-মাতৃ ক্রমে উপেন্দ্র কুমাৰ আৰু হেমপ্রভা কুমাৰীক শ্রদ্ধাৰে স্মৰণ কৰে। উন্মোচনী সভাখনত নহিৰা ৰাইজ গয়ৰহৰ উপ-সভাপতি কমল দেৱগোস্বামী, ৰাজাপুখুৰী ৰাইজ গয়ৰহৰ সহকাৰী সম্পাদক কৃষ্ণৰাম দাস, শিক্ষক ৰাতুল শর্মা, বলদেৰ গোস্বামী প্রমুখ্যে কেইবাজনো লোকে যোগেন্দ্র কুমাৰৰ সাহিত্য জগতলৈ অৱদান সম্পর্কে চমুকৈ বক্তব্য ৰাখে। কৃতী সংস্কৃত শিক্ষক ৰঞ্জন গোস্বামীয়ে আঁত ধৰা মূল সভাখনৰ পূর্বে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ প্রতিচ্ছবিত বন্তি প্রজ্বলন কার্যসূচী মুকলি কৰে অগ্রণী সাহিত্য সংগঠক ড° হোমেন মেধিয়ে। ড° মেধিয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্রতি গভীৰ শ্রদ্ধাঞ্জলি জনায়।

■ অসম ডুমি ■ ৭ অক্টোবৰ, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

সমাজত জ্যেষ্ঠসকলৰ স্থান

আমাৰ দেশত প্ৰাচীন কালৰ পৰাই প্ৰবীণসকলক সমাজত বিশেষ সন্মানৰ স্থান দি অহা হৈছে। ভাৰতীয় সংস্কৃতিত তেওঁলোকক জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। বেদ, উপনিষদ আৰু পুৰাণত প্ৰবীণ বা জ্যেষ্ঠ লোকসকলক সমাজৰ আধ্যাত্মিক, নৈতিক আৰু সামাজিক স্তম্ভ হিচাপে গণ্য কৰা হৈছিল। এইসকলে সমাজত নৈতিক, আধ্যাত্মিক আৰু সামাজিক ব্যৱস্থাৰ গুৰি ধৰি আহিছিল। ঋগবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ এই চাৰিওখন বেদতেই প্ৰবীণসকলৰ প্ৰতি গভীৰ সন্মান প্ৰকাশ পাইছে। তৈত্তিৰীয় উপনিষদত— 'মাতৃ দেৱো ভৱ, পিতৃ দেৱো ভৱ, আচাৰ্য দেৱো ভৱ' বুলি কোৱা হৈছে। অৰ্থাৎ মাতৃ, পিতৃ আৰু গুৰুক দেৱতাৰ সমান জ্ঞান কৰাৰ নিৰ্দেশ দিয়া হৈছে। ঋগবেদত বুদ্ধিমান, অভিজ্ঞ আৰু বয়সত ডাঙৰ ব্যক্তিক 'সভাসদ', 'স্মৃতিধৰ', 'ঋষি' আদি ৰূপে উল্লেখ কৰা হৈছে। পুৰাণত পিতৃ-মাতৃৰ সেৱা আৰু তেওঁলোকৰ আদেশ পালন মহান কৰ্তব্য হিচাপে গণ্য কৰা হৈছে। উদাহৰণ হিচাপে— শ্ৰৱণৰ পিতৃভক্তিৰ কাহিনী দাঙি ধৰিব পাৰি। অসমৰ ঐতিহাসিক পৰিপ্ৰেক্ষিতত এই পৰম্পৰা কোনো গুণে কম নহয়। আহোমসকলৰ ৰাজত্বৰ সময়ত প্ৰবীণ পাত্ৰ-মন্ত্ৰীসকলৰ পৰামৰ্শক গুৰুত্ব আৰোপ কৰাৰ বিষয়ে ইতিহাসত উল্লেখ আছে। সেই সময়ৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত প্ৰবীণসকলৰ অভিজ্ঞতাক যথেষ্ট গুৰুত্ব দিয়া হৈছিল, যাৰ দ্বাৰা সমাজৰ ধাৰাবাহিকতা আৰু স্থিতিশীলতা নিশ্চিত হৈছিল। উদাহৰণস্বৰূপে— আহোম ৰাজসভাত বৰপাত্ৰগোহাঁই বা বৰগোহাঁইৰ দৰে প্ৰবীণ পদাধিকাৰীসকলে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমীয়া সমাজত প্ৰবীণসকলে অতীতৰে পৰা সাংস্কৃতিক সংৰক্ষকৰ ভূমিকা পালন কৰি আহিছে। তেওঁলোকে লোককথা, গীত, পৰম্পৰাগত নৃত্য আৰু ৰীতি-নীতিৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ ধাৰা অক্ষুণ্ণ ৰাখিছে। বিহুৰ সময়ত প্ৰবীণসকলে পুৰণি বিহুগীত আৰু নৃত্যৰ শিক্ষা দিয়াৰ জৰিয়তে নতুন প্ৰজন্মৰ সৈতে সাংস্কৃতিক সংযোগ স্থাপন কৰি আহিছে। হিন্দু পৰম্পৰাত প্ৰবীণসকলৰ পদ স্পৰ্শ কৰি আশীৰ্বাদ লোৱাৰ প্ৰথা প্ৰচলিত হৈ আহিছে, যিয়ে তেওঁলোকৰ জ্ঞান আৰু বুদ্ধিৰ প্ৰতি গভীৰ সন্মান প্ৰদৰ্শন প্ৰকাশ কৰে। এই পৰম্পৰাৰ বিজ্ঞান সন্মত ব্যাখ্যা হৈছে যে প্ৰবীণসকলৰ স্পৰ্শই জ্ঞান, শক্তি আৰু নৈতিকতাৰ সঞ্চাৰণৰ প্ৰতীক হিচাপে কাম কৰে। এই ধাৰণাই প্ৰবীণসকলক সমাজৰ নৈতিকতাৰ ভেটি হিচাপে প্ৰতিষ্ঠিত কৰে। বৰ্তমান সময়তো এই ঐতিহাসিক সন্মানৰ প্ৰভাৱ অটুট আছে। ২০২৪ চনত অসম ছিনিয়ৰ চিটিজেনছ ৰেলফেয়াৰ কাউন্সিলে প্ৰবীণসকলৰ বাবে সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰিছিল, য'ত তেওঁলোকে অংশগ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ ধাৰা জীৱন্ত কৰি ৰাখিবলৈ সক্ষম হৈছিল। এনে কাৰ্যক্ৰমে প্ৰবীণসকলৰ ঐতিহাসিক ভূমিকা আধুনিক সমাজত প্ৰতিষ্ঠা কৰিছে আৰু তেওঁলোকৰ গুৰুত্বক নতুন প্ৰজন্মৰ সম্মুখত দাঙি ধৰিছে। বৰ্তমান আধুনিক ভাৰতত প্ৰবীণসকলৰ জনসংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ২০২৩ চনৰ তথ্য অনুসৰি, ভাৰতত ৬০ বছৰৰ ওপৰৰ লোকৰ শতকৰা হাৰ ৯.৭ শতাংশ, অৰ্থাৎ প্ৰায় ১৩৮ মিলিয়ন। ইউ এন পি এফৰ ২০২৩ চনৰ ভাৰত বৃদ্ধাৱস্থা প্ৰতিবেদন অনুসৰি বৰ্তমান ভাৰতত প্ৰবীণ বা বৃদ্ধৰ জনসংখ্যা (৬০ বছৰৰ ওপৰ) ১৪.৯ কোটি। ২০৫০ চনৰ ভিতৰত এই সংখ্যা ৩২০ মিলিয়ন (৩২ কোটি) বা ২০ শতাংশ জনসংখ্যালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। এই জন সংখ্যাগত পৰিৱৰ্তনে ভাৰতত বৃদ্ধাৱস্থাৰ সংখ্যা বৃদ্ধিৰ কথা প্ৰকাশ কৰিছে আৰু বৃদ্ধ লোকৰ স্বাস্থ্য, সুৰক্ষা, আয়ৰ উৎস, একাকীত্ব, সামাজিক সন্মান আদি দিশত গ্ৰহণ কৰা নীতিৰ উন্নয়নৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। অসমত এই হাৰ তুলনামূলকভাৱে কম। মাত্ৰ ৮.২ শতাংশৰে ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত যথেষ্ট নিম্ন স্থানত আছে। তথাপি অসমত প্ৰবীণ জনসংখ্যাৰ বৃদ্ধিয়ে সামাজিক আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি ২০১৭-১৮ চনত অসমত অনুষ্ঠিত লংগিটিউডিনেল এজিং ষ্টাডী ইন ইণ্ডিয়াৰ এক গৱেষণা ৮১৬ জন প্ৰবীণ নাগৰিকৰ ওপৰত কৰা হৈছিল। এই অধ্যয়নৰ পৰা অসমত প্ৰবীণসকলৰ জীৱনৰ বিভিন্ন দিশ স্পষ্ট হৈ পৰিছে। গৱেষণাত অংশগ্ৰহণকাৰীসকলৰ মাজত ধৰ্মীয় বৈচিত্ৰ্য লক্ষ্য কৰা হৈছিল, য'ত ৬২.৪ শতাংশ হিন্দু, ২৭.২ শতাংশ মুছলমান আৰু বাকী অংশ খ্ৰীষ্টান, বৌদ্ধ আদি ধৰ্মৰ লোক আছিল।

মনোৰোগ বিশেষজ্ঞ ডাঃ সংগীতা দত্তই শিশু দিৱস উপলক্ষে 'আৱাজ-দা ভইচ'ৰ সৈতে হোৱা এক বিশেষ সাক্ষাতত কয়— 'সময় পৰিৱৰ্তনশীল। কেৱল শিশুৱে নহয় সময়ৰ লগে লগ প্ৰতিটো বস্তুৰে পৰিৱৰ্তন ঘটে। শিশুৰ ক্ষেত্ৰত আমি এই পৰিবৰ্তন যোগাত্মক নে বিয়োগাত্মক লক্ষ্য কৰা উচিত। কিন্তু অতি পৰিতাপৰ কথা যে বৰ্তমান সময়ত শিশুসকলৰ পৰিৱৰ্তনৰ কথা ক'বলৈ গ'লে আমি সৰহভাগেই নেতিবাচক দিশত পৰিৱৰ্তন হোৱা দেখা পাওঁ। কিয়নো বৰ্তমান যুগটো তথ্য-প্ৰযুক্তিৰ যুগ অৰ্থাৎ ম'বাইল ফোন, ইণ্টাৰনেট, সামাজিক মাধ্যম, হোৱাটছএপ আদিৰ যুগ। যিহেতু শিশুসকলৰ মনটো অপৰিপক্ক হয় তেওঁলোকে ভাল কোনটো, বেয়া কোনটো বুজি নাপায়। তেনেকুৱা সময়ত কেৱল শিশুৱে নহয়, কিশোৰ-কিশোৰী যুৱক-যুৱতীয়ে এই সা-সুবিধাসমুহৰ সঠিক ব্যৱহাৰ কৰিছে নে নাই, সেয়া আমি লক্ষ্য ৰাখিব লাগিব।'

আধুনিক প্ৰযুক্তিত কণ কণ শিশুসকলৰ আসক্তি

দীপিকা ফুকন

আধুনিক প্ৰযুক্তি বুলি ক'লে আমি বৰ্তমান সময়ত সৰ্বত্ৰতে সৰ্বলোকে ব্যৱহাৰ কৰা ম'বাইল ফোনৰ কথা উল্লেখ কৰিব লাগিব। এই ম'বাইল ফোনৰ ব্যৱহাৰক আমি প্ৰয়োজন বা ফ'বিয়া দুয়োটা শব্দৰেই অভিহিত কৰিব পাৰো। ম'বাইল ফোনৰ প্ৰয়োজনীয়তা আমি এই সময়ত কোনোপধ্যেই নুই কৰিব নোৱাৰো। আনহাতে হকে-বিহকে ম'বাইল ফোন হাতত লৈ অনাহকত অবাবতে সময় পাৰ কৰাটো বা ম'বাইল ফোন অবিহনে থাকিব নোৱাৰা হোৱাটো এটা মানসিক ৰোগৰ লক্ষণ বুলি ক'লেও ভুল কোৱা নহ'ব। আজিকালি প্ৰায় শিশুকেই ম'বাইল ফোনত ব্যস্ত হৈ থকা দেখা যায়। আনকি ম'বাইল নোচোৱাকৈ ভাত নোখোৱা, প্ৰথমে অলপ সময় ম'বাইল চাবলৈ দিলেহে পঢ়িবলৈ বহা আদি অনৰ্থক অভ্যাস কিছুমানো প্ৰায় শিশুৱে গঢ় লৈ উঠিছে। যোৱা কেইবছৰমানৰ পৰা ম'বাইলৰ প্ৰতি এই লৈ আসক্তি শিশুৰ বাবে এক মাৰাত্মক ব্যাধি হৈ পৰিছে। ড্ৰাগছ আৰু ক'কেইনৰ দৰে মাদক দ্ৰব্যই যিদৰে এটা প্ৰজন্মক ধ্বংসৰ মুখলৈ নিব পাৰে, ঠিক সেইদৰে ম'বাইল ফোনৰ অত্যধিক ব্যৱহাৰেও শিশুক মানসিকভাৱে পংগু কৰিব পাৰে।



মনোৰোগ বিশেষজ্ঞ ডাঃ সংগীতা দত্তই শিশু দিৱস উপলক্ষে 'আৱাজ-দা ভইচ'ৰ সৈতে হোৱা এক বিশেষ সাক্ষাতত কয়— 'সময় পৰিৱৰ্তনশীল। কেৱল শিশুৱে নহয় সময়ৰ লগে লগ প্ৰতিটো বস্তুৰে পৰিৱৰ্তন ঘটে। শিশুৰ ক্ষেত্ৰত আমি এই পৰিবৰ্তন যোগাত্মক নে বিয়োগাত্মক লক্ষ্য কৰা উচিত। কিন্তু অতি পৰিতাপৰ কথা যে বৰ্তমান সময়ত শিশুসকলৰ পৰিৱৰ্তনৰ কথা ক'বলৈ গ'লে আমি সৰহভাগেই নেতিবাচক দিশত পৰিৱৰ্তন হোৱা দেখা পাওঁ। কিয়নো বৰ্তমান যুগটো তথ্য-প্ৰযুক্তিৰ যুগ অৰ্থাৎ ম'বাইল ফোন, ইণ্টাৰনেট, সামাজিক মাধ্যম, হোৱাটছএপ আদিৰ যুগ। যিহেতু শিশুসকলৰ মনটো অপৰিপক্ক হয় তেওঁলোকে ভাল কোনটো, বেয়া কোনটো বুজি নাপায়। তেনেকুৱা সময়ত কেৱল শিশুৱে নহয়, কিশোৰ-কিশোৰী যুৱক-যুৱতীয়ে এই সা-সুবিধাসমুহৰ সঠিক ব্যৱহাৰ কৰিছে নে নাই, সেয়া আমি লক্ষ্য ৰাখিব লাগিব।'

ক'ভিড মহামাৰীৰ পিছৰে পৰা শিশুসকলৰ মাজত ম'বাইল ফোনৰ প্ৰতি আকৰ্ষণ অধিক বৃদ্ধি পালে। ক'ভিড মহামাৰীৰ সময়ত সম্পূৰ্ণ দুটা বছৰ শিশুসকলে স্কুললৈ যাব পৰা নাছিল। কিয়নো ক'ভিডৰ বাবে হোৱা লকডাউনৰ সময়ত সকলোৱে দিনৰ দিনটো ঘৰতে আবদ্ধ হৈ থাকিবলগা হৈছিল। শিশু মানেই খেলৰ উৎস বা শিশু মানেই খেলৰ অপূৰ্ব সমাহাৰ। শিশুৱে খেলা-ধূলা কৰি যথেষ্ট ভাল পায়। হঠাতে সেই চাৰিবেৰৰ মাজত আবদ্ধ তেওঁলোকৰ কি কৰো কি নকৰো এটা তথৈবচ অৱস্থাক সুস্থিৰ ৰূপ দিবলৈ অভিভাৱকৰ হাহাকাৰ লাগিল। এনে সময়তে শিক্ষা বিভাগে অনলাইন পদ্ধতিৰে শিক্ষা ব্যৱস্থা চলাই নিবলৈ চেষ্টা কৰাত আমি সকলোৱে সৰগ ঢুকি পোৱাদি পালো। প্ৰথম অৱস্থাত সকলো ঠিকেই আছিল। দিন অতিবাহিত হোৱাৰ লগে লগে শিশুহঁত ম'বাইলৰ সকলো দিশতে পাকৈত হৈ পৰিল। পঢ়াৰ সময়কণৰ পাছতো ম'বাইল নেৰা হ'ল। এদিন লকডাউন শেষ হ'ল কিন্তু শিশুসকলৰ মাজত ম'বাইল প্ৰেম শেষ নহ'ল, বৰঞ্চ বাঢ়িহে গ'ল। বিভিন্ন ধৰণৰ খেল, ভিডিঅ', কার্টুন, নাচ-গান আদি চোৱাত তেওঁলোক অভ্যস্ত হৈ পৰিল। অভিভাৱকসকলেও সেই সময়ত বিশেষ একো চিন্তা কৰা দেখা নগ'ল। আজিকালি শিশুহঁতৰ বাবে অতি প্ৰিয় খেলনা হৈছে ম'বাইল ফোন। তেওঁলোকে দৰা-কইনা পুতলা, গাড়ী আদি একো নিবিচাৰে। যি অতি ভয়াৱহ। কিয়নো শিশুসকলে প্ৰথমে খেলনা হিচাপে খেলে যদিও পিছত যেতিয়া সিহঁতে গান ভিডিঅ' আদি উপভোগ কৰিব পৰা হয়, তেতিয়া তেওঁলোকৰ ম'বাইলৰ প্ৰতি আসক্তিও বাঢ়ি যায়। যাৰ ফলত তেওঁলোকৰ মাজত কিছু নেতিবাচক পৰিৱৰ্তন ঘটা দেখা যায়। যেনে— তেওঁলোকে অভিভাৱকৰ কথা মানিবলৈ টান পোৱা হয়। ভাত খোৱা, গা ধোৱা, কিতাপ পঢ়া আদি কামবোৰ কৰিবলৈ 'ম'বাইল দিলেহে কৰিম' বুলি জেদ ধৰে, আলহী আহিলে মাতিবলৈ টান পায়। এনে ক্ষেত্ৰত অভিভাৱকসকল সজাগ হোৱা

■ *নৱম পৃষ্ঠাত*

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে গান্ধীজীৰ সমগ্ৰ জীৱন আৰু কৰ্মৰ মূল ভেটি আছিল অহিংসা আৰু সত্যাগ্ৰহ। বৰ্তমান বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰাছিয়া-ইউক্ৰেইনৰ দীৰ্ঘম্যাদী যুদ্ধই ইউৰোপৰ স্থিৰতা বিঘ্নিত কৰাৰ সমান্তৰালকৈ মধ্যপ্ৰাচ্যৰ হিংসাত্মক সংঘাতে হাজাৰ হাজাৰ নিৰীহ মানুহৰ প্ৰাণ কাঢ়ি লৈছে। এনে এক হিংসাজৰ্জৰ পৃথিৱীত গান্ধীৰ অহিংসা কোনো নিষ্ক্ৰিয় সহনশীলতা বা দুৰ্বলতাৰ প্ৰতীক নাছিল, বৰং ই আছিল অন্যায় আৰু পাশৱিক শক্তিৰ বিৰুদ্ধে নৈতিক শক্তিৰ সক্ৰিয় প্ৰতিৰোধ। গান্ধীজীয়ে কৈছিল যে চকুৰ বিনিময়ত চকু লোৱা নীতিয়ে অৱশেষত সমগ্ৰ পৃথিৱীখনকে অন্ধ কৰি তোলে। বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় কূটনীতিত যেতিয়া পাৰমাণৱিক অস্ত্ৰৰ প্ৰতিযোগিতা আৰু সামৰিক আধিপত্যই শান্তিক পণবন্দী কৰি ৰাখিছে, তেতিয়া গান্ধীৰ এই মৌলিক বার্তাটোৱেই বিশ্বশান্তিৰ একমাত্ৰ বিকল্প হিচাপে উদয় হয়। ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অহিংস সংলাপেৰে বিবাদ নিষ্পত্তি কৰাৰ যি প্ৰক্ৰিয়া, সেয়া মূলতঃ গান্ধীজীৰ সত্যাগ্ৰহৰ আধুনিক বিস্তাৰ। সমাজ পৰিৱৰ্তনৰ বাবে অহিংসাৰ সৈতে জড়িত আন এক অপৰিহাৰ্য ধাৰণা হ'ল সত্যৰ সন্ধান।

আধুনিক সমাজৰ প্ৰত্যাহ্বান আৰু গান্ধী দৰ্শনৰ বাস্তৱমুখী প্ৰয়োগ

চন্দন কুমাৰ নাথ

প্ৰতিবছৰে ২ অক্টোবৰৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো এক বিশেষ নৈতিক তাৎপৰ্যৰে উদ্‌যাপিত হয়। ৰাষ্ট্ৰসংঘই এই পবিত্ৰ দিনটোক আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে স্বীকৃতি দিয়াৰ মূল কাৰণ হ'ল— মোহনদাস কৰমচান্দ গান্ধী কোনো বিশেষ যুগ বা ভৌগোলিক সীমাৰ মাজত আৱদ্ধ ব্যক্তি নাছিল, বৰং তেওঁ আছিল মানৱ জাতিৰ বিবেকৰ চিৰন্তন জাগ্ৰত কণ্ঠস্বৰ। আজি বিশ্ব যেতিয়া যুদ্ধৰ বিভীষিকা, জলবায়ু সংকট, তীব্ৰ অৰ্থনৈতিক বৈষম্য আৰু সামাজিক অসহিষ্ণুতাৰ এক অভূতপূৰ্ব সন্ধিক্ষণত উপনীত হৈছে, তেনে সময়ত মহাত্মা গান্ধীৰ জীৱন আৰু চিন্তাধাৰাক কেৱল আনুষ্ঠানিক স্মৃতিচাৰণৰ মাজত সীমাবদ্ধ কৰি ৰখাৰ কোনো সুযোগ নাই। বৰং সাম্প্ৰতিক জটিল পৰিস্থিতিৰ বাস্তৱমুখী সমাধান বিচাৰি গান্ধী দৰ্শনৰ পুনৰ্মূল্যায়ন আৰু সমাজ পৰিৱৰ্তনৰ স্বাৰ্থত তাৰ প্ৰয়োগ আজিৰ সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৌদ্ধিক তথা সামাজিক দায়িত্ব হৈ পৰিছে।

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে গান্ধীজীৰ সমগ্ৰ জীৱন আৰু কৰ্মৰ মূল ভেটি আছিল অহিংসা আৰু সত্যাগ্ৰহ। বৰ্তমান বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰাছিয়া-ইউক্ৰেইনৰ দীৰ্ঘম্যাদী যুদ্ধই ইউৰোপৰ স্থিৰতা বিঘ্নিত কৰাৰ সমান্তৰালকৈ মধ্যপ্ৰাচ্যৰ হিংসাত্মক সংঘাতে হাজাৰ হাজাৰ নিৰীহ মানুহৰ প্ৰাণ কাঢ়ি লৈছে। এনে এক হিংসাজৰ্জৰ পৃথিৱীত গান্ধীৰ অহিংসা কোনো নিষ্ক্ৰিয় সহনশীলতা বা দুৰ্বলতাৰ প্ৰতীক নাছিল, বৰং ই আছিল অন্যায় আৰু পাশৱিক শক্তিৰ বিৰুদ্ধে নৈতিক শক্তিৰ সক্ৰিয় প্ৰতিৰোধ। গান্ধীজীয়ে কৈছিল যে চকুৰ বিনিময়ত চকু লোৱা নীতিয়ে অৱশেষত সমগ্ৰ পৃথিৱীখনকে অন্ধ কৰি তোলে। বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় কূটনীতিত যেতিয়া পাৰমাণৱিক অস্ত্ৰৰ প্ৰতিযোগিতা আৰু সামৰিক আধিপত্যই শান্তিক পণবন্দী কৰি ৰাখিছে, তেতিয়া গান্ধীৰ এই মৌলিক বার্তাটোৱেই বিশ্বশান্তিৰ একমাত্ৰ বিকল্প হিচাপে উদয় হয়। ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অহিংস সংলাপেৰে বিবাদ নিষ্পত্তি কৰাৰ যি প্ৰক্ৰিয়া, সেয়া মূলতঃ গান্ধীজীৰ সত্যাগ্ৰহৰ আধুনিক বিস্তাৰ। সমাজ পৰিৱৰ্তনৰ বাবে অহিংসাৰ সৈতে জড়িত আন এক অপৰিহাৰ্য ধাৰণা হ'ল সত্যৰ সন্ধান। সমসাময়িক ডিজিটেল যুগত তথ্য-প্ৰযুক্তিৰ অভূতপূৰ্ব বিকাশ ঘটিছে যদিও তাৰ সমান্তৰালভাৱে ভুৱা বাতৰি, সামাজিক মাধ্যমত বিষবাষ্প আৰু মতাদৰ্শগত মেৰুকৰণে মানৱ সমাজক গভীৰ বিভাজনৰ দিশে ঠেলি দিছে। শেহতীয়া বিভিন্ন সত্য আছিল বৈজ্ঞানিক যুক্তি, ন্যায় আৰু আত্মশুদ্ধিৰ ওপৰত প্ৰতিষ্ঠিত। যেতিয়া সমাজত প্ৰৱঞ্চনা আৰু অপপ্ৰচাৰে গণতান্ত্ৰিক মূল্যবোধক আঘাত হানে, তেতিয়া এজন নাগৰিকৰ আটাইতকৈ ডাঙৰ অস্ত্ৰ হৈ পৰে অন্তৰত সত্যনিষ্ঠা আৰু ন্যায়ৰ প্ৰতি দায়বদ্ধতা নাথাকে।



গান্ধীজীৰ সমাজ চিন্তাৰ অন্যতম শ্ৰেষ্ঠ অৱদান হ'ল 'সৰ্বোদয়' আৰু 'অন্ত্যোদয়'ৰ ধাৰণা। সৰ্বোদয়ৰ অৰ্থ সকলোৰে সৰ্বাংগীণ কল্যাণ আৰু অন্ত্যোদয়ৰ তাৎপৰ্য হ'ল সমাজৰ একেবাৰে পিছপৰি থকা, নিষ্পেষিত ব্যক্তিজনৰ মুক্তি। অক্সফামৰ দৰে আন্তৰ্জাতিক সংস্থাসমূহৰ শেহতীয়া বাৰ্ষিক প্ৰতিবেদনবোৰে স্পষ্টভাৱে আঙুলিয়াই দিছে যে আজি বিশ্বজুৰি সম্পদৰ কেন্দ্ৰীকৰণ এক ভয়ংকৰ স্তৰত উপনীত হৈছে, য'ত মাত্ৰ মুষ্টিমেয় এমুঠি পুঁজিপতিৰ হাতত বিশ্বৰ সিংহভাগ অৰ্থনীতি কেন্দ্ৰীভূত হৈ পৰিছে। এই বৰ্ধিত বৈষম্যই সমাজত গভীৰ অসন্তোষ আৰু শ্ৰেণী সংঘাতৰ সৃষ্টি কৰিছে। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে যিসকল ব্যক্তিৰ হাতত অতিৰিক্ত সম্পদ আছে, তেওঁলোকে সেই সম্পদক ব্যক্তিগত সম্পত্তি হিচাপে গণ্য নকৰি সমাজৰ দৰিদ্ৰ জনসাধাৰণৰ কল্যাণৰ বাবে ন্যস্ত থকা পৰিত্ৰ আমানত হিচাপে ব্যৱহাৰ কৰা উচিত। সামাজিক ন্যায়ৰ বাবে অৰ্থনীতি কেৱল মুনাফাভিত্তিক নহৈ মানৱকেন্দ্ৰিক হোৱাটো গান্ধী দৰ্শনৰ মূল লক্ষ্য আছিল। তদুপৰি গান্ধীজীৰ 'গ্ৰাম্য স্বৰাজ'ৰ ধাৰণা সমসাময়িক ভাৰতৰ বহনক্ষম উন্নয়নৰ বাবে এক শক্তিশালী পথপ্ৰদৰ্শক। মহাত্মা গান্ধীয়ে সদায় উপলব্ধি কৰিছিল যে প্ৰকৃত ভাৰতবৰ্ষ বাস কৰে ইয়াৰ সাত লাখ গাঁৱত। বৰ্তমান সময়ত অনিয়ন্ত্ৰিত নগৰীকৰণে চহৰবোৰক জাৱৰ-জোঁথৰ, যান-জঁট আৰু প্ৰদূষণৰ নৰকত পৰিণত কৰিছে, আনহাতে গাঁৱবোৰ যুৱ প্ৰজন্মৰ প্ৰব্ৰজনৰ ফলত উদং হৈ পৰিছে। স্বাৱলম্বী গ্ৰামোন্নয়ন, কুটিৰ শিল্প, স্থানীয় সম্পদৰ উচিত ব্যৱহাৰ আৰু বিকেন্দ্ৰীভূত প্ৰশাসনৰ যি সপোন গান্ধীয়ে দেখিছিল, সেয়া আজিৰ আত্মনিৰ্ভৰশীল ভাৰত গঠনৰ আধা�ৰশিলা। স্থানীয় পৰ্যায়ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু পঞ্চায়তীৰাজ ব্যৱস্থাৰ শক্তিশালীকৰণৰ জৰিয়তেহে সাধাৰণ মানুহৰ হাতলৈ প্ৰকৃত স্বৰাজ হস্তান্তৰ কৰা সম্ভৱ, যিটো সমাজ পৰিৱৰ্তনৰ এক অনিবাৰ্য চৰ্ত। পৰিৱেশ আৰু প্ৰকৃতি সংৰক্ষণৰ দিশতো মহাত্মা গান্ধী আছিল এক যুগদ্ৰষ্টা চিন্তাবিদ। শেহতীয়াকৈ বিশ্বৰ বিভিন্ন প্ৰান্তত ঘটি থকা অনিয়মীয়া বানপানী, খৰাং, দাবানল আৰু উত্তাপৰ বাঢ়ি অহা মাত্ৰাই স্পষ্ট কৰি দিছে যে আধুনিক ভোগবাদী জীৱনশৈলীয়ে ধৰিত্ৰীক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। বিভিন্ন আন্তৰ্জাতিক জলবায়ু সম্মিলনত বহনক্ষম জীৱনশৈলী আৰু প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ যি আলোচনা চলিছে, তাৰ সাৰমৰ্ম গান্ধীজীৰ জীৱনাদৰ্শতে সন্নিৱিষ্ট হৈ আছিল। প্ৰয়োজনতকৈ অধিক অপব্যৱহাৰ নকৰা, মিতব্যয়িতা অৱলম্বন কৰা আৰু পৰিৱেশৰ জৈৱ-বৈচিত্ৰ্য ৰক্ষা কৰাটো গান্ধীৰ বাবে এক নৈতিক ধৰ্ম আছিল, যিটো ধৰ্ম আজিৰ মানৱ জাতিয়ে পুনৰ গ্ৰহণ কৰাৰ সময় সমীক্ষাই প্ৰমাণ কৰিছে যে কেনেদৰে এলগৰিথমৰ জৰিয়তে মানুহৰ মাজত ঘৃণা আৰু আৱেগিক উত্তেজনা বৃদ্ধি কৰা হৈছে। গান্ধীজীয়ে সত্যক ঈশ্বৰৰ সমতুল্য আখ্যা দিছিল আৰু এই ব্যক্তিগত সততা আৰু বিবেকৰ জাগৰণ। গান্ধীৰ মতে যিকোনো সমাজ সংস্কাৰ ব্যক্তিৰ আত্মশুদ্ধিৰ পৰাই আৰম্ভ হ'ব লাগিব। সমাজ পৰিৱৰ্তনৰ কোনো বাহ্যিক আঁচনি সফল হ'ব নোৱাৰে যদিহে মানুহৰ

■ ১০ পৃষ্ঠাত

সৃষ্টিৰ খনিকৰ জুবিন গার্গ

অনন্ত কুমাৰ ভূঞা

হুৱমুৰকৈ আপদীয়া বতাহ ছাটিয়ে ক'লে
এটি কণ্ঠ শব্দহীন হ'ল,
হঠাৎ হুৱাদুৱা লাগিল
অমংগলীয়া বাতৰিয়ে কঁপাই তুলিলে মন
ৰাজপথত শাৰী শাৰী হাজাৰ অনুৰাগী
খং ক্ষোভ আৰু অভিমান ছিটিকি আহিল
ৰ'দ বৰষুণজাক ভেবা লাগি ৰ'ল
প্রতিশ্রুতিবোৰ লিপিত খালে জনতাৰ বুকুত
সংবেদনশীল ৰাজপথত জনতাৰ লানি
অলিয়ে-গলিয়ে বাজিছে
চিনাকি সুৰৰ গান,
অশ্রু ভাগৰি পৰিল
অশ্রু নিগৰিল দুগালত
এধাৰি মালা হৈ ওলমিল কণ্ঠত
উচুপানিবোৰ নিগাজি হ'ল
অমৃত কণ্ঠ অমৰ হৈ ৰ'ল
সুগন্ধি সুবাসে ধুৱাই নিলে পৰিৱেশ।
মামৰে ধৰিব নোৱাৰে সৃষ্টিৰ এই গীতবোৰ
গগণচুম্বী অট্টালিকাত বাজিল গীত
প্রতিচ্ছবিৰ সন্মুখত শোকবিহ্বল জনতা
প্রতিবিম্ব প্রেৰণা হৈ জিলিকি উঠিল,
বেদনাৰ স্থায়ী ঠিকনা হ'ল
ইতিহাসত লিপিবদ্ধ হ'ল ব্যাকুল আৱেগ
ইতিহাসে কৈ গ'ল
সংগীতৰ বেগ কিমান প্রবল
মায়াবিনীৰ নায়ক কিমান সবল।
দিঠকত ৰৈ গ'ল ছবি জীৱনৰ
সপোনে কৈ গ'ল ধেমেলীয়া কথাবোৰ
চিৰযুগমীয়া হ'ল চেতনাৰ ভঁৰাল,
তেজোদীপ্ত সূর্যই শুহি নিলে দুখ
জোনাকে পিন্ধালে নতুন পোছাক
সাগৰীৰ ঢৌ সোঁৱৰণি হৈ ৰ'ল
পদচিহ্ন ৰৈ গ'ল
এৰি গ'ল হাজাৰ তেজাল শ্রোতা
ভিন্নতাৰ অভিন্ন বান্ধোনৰ দি গ'ল প্রমাণ
সর্বধর্ম প্রার্থনাৰ অপূর্ব সন্মিলন
ত্যাগ ভাবনাৰ স্বভাৱ অবিচল
জাতি নাই ধর্ম নাই
সেৱাই ভগৱান
উদাৱতাই ধর্ম
এই শ্রুতলিপি আওৰাই মঞ্চত সঘনাই
স্ব-অভিমান সহযাত্রী জীৱনৰ।
প্রবাসত নুমাল জীৱন বন্তি
অভিশপ্ত লাজাৰাছ দ্বীপত হেৰাল উশাহ
সেই দ্বীপ
প্রেতাত্মাৰ আবাস বুলি আছে প্রবাদ
সৌন্দর্য আকর্ষণীয় হয় সূর্যৰ পোহৰত
জয়াল নিশা এই অদ্ভুত দ্বীপত
প্রেতাত্মাই কথা কয়,
ইয়াত অপদার্থবিলাক থূপ খাই থাকে
আজি অনুৰাগীৰ প্রার্থনা
সৃষ্টিৰ খনিকৰজন পুনৰ জন্ম ল'ব কেতিয়া?






ওভতন

সংগীতা ডেকা

এপিয়লা শূন্যতাক নিৰলে পি গৈছিল
কেইটামান মামৰে ধৰা আখৰে
হাজাৰবাৰ চেষ্টা কৰে, কিন্তু নাই
নগজেহে নগজে...
কবিতাৰ ফুল ৰুৱা সহজ জানো?
পিছে ভৰি পৰা সাগৰখন
কেনেকৈনো হেঁচুকি ৰখা যায়!
বন্যাবোৰ ধৰি ৰখা যে কঠিন
অক্ষিহালৰ বাবে...
পদূলি পাৰ হৈ ভৰ আকাশ ভ্রমিব গ'লে
মেঘে মেঘ বিয়পি পৰে চোন
দুর্গন্ধময় হৃদয়তাৰে...
উভতি গ'লে আইৰ কোঁচে
ইতিকিং মৰা হাঁহি এটি মাৰে
কি চাইছ?
চা যদি তোৰ ভিতৰলে' চা
কিবা এটা জ্বলি আছে।



পোহৰৰ চাকি

মৰমী আহমেদ

পদূলিয়ে পদূলিয়ে জ্বলিব
এগছি শোকৰ চাকি,
বিয়পিব পোহৰ
চৌদিশে বাজিব গীত

মায়াবিনীৰ ৰাতিৰ বুকুত
দেখা পালো তোমাৰ ছবি
সুৰৰ মাজত, স্মৃতিৰ মাজত
সদায়েই যেন জী উঠা তুমি

অভিশপ্ত সেই ১৯ ছেপ্টেম্বৰ
এৰি গ'ল চকুলোৰ এটি কাহিনী,
কণ্ঠ ৰৈ গ'ল নীৰৱতাত
কিন্তু ৰৈ নগ'ল তোমাৰ সুৰৰ ধ্বনি

পদূলিয়ে পদূলিয়ে জ্বলিব
এগছি শোকৰ চাকি,
আন্ধাৰ নিশাৰ বুকু ফালি
জিলিকিব তোমাৰ স্মৃতি


য'তেই বাজিব তোমাৰ গীত,
ত'তেই জাগিব তোমাৰ ছবি
মায়াবিনীৰ ৰাতিৰ কোলাত শুই
চিৰদিন শুনি যাম
তোমাৰেই সুৰীয়া কণ্ঠটি।

নদী আৰু নাৰী

বনজিৎ দাস

নদী বয়...
নীৰৱে কঢ়িয়াই নিয়ে
পর্বতৰ পৰা সমতললৈ
সময়ৰ অলেখ কথকতা।

নদীৰ বুকুত
লিখা হয় সভ্যতাৰ ইতিহাস
ঢৌৰ ভাঁজে ভাঁজে
সাঁচ খায় মানুহৰ অস্তিত্ব।



আৰু নাৰী...
নীৰৱে সহে জীৱন ধুমুহা
নিজৰ বুকুত সাঁচি ৰাখে
এটা জাতিৰ অদেখা ভৱিষ্যৎ।

নদীয়ে যেনেকৈ
উর্বৰ কৰে দুপাৰৰ সেউজ মাটি
নাৰীৰ কোলাত তেনেকৈয়ে
ডাঙৰ-দীঘল হয়
এক এক প্রজন্মৰ সপোন।

নদী বয়...
সভ্যতা গঢ়ে,
নাৰীয়ে
সভ্যতাৰ ভেটি গঢ়ে।

সেয়ে নদী আৰু নাৰী
দুয়ো বৈ যায়,
দুয়ো সহি যায়,
আৰু দুয়োৰে বুকুতেই
লিখা থাকে
মানুহ হোৱাৰ ইতিহাস।

মই বৰ স্বার্থপৰ

ইমৰান আনছাৰী

মই বৰ স্বার্থপৰ;
মই বিচাৰো মোৰ দৰে তুমিও
মোক হিয়া উজাৰি ভালপোৱা।
মই বিচাৰো তুমি মোৰ যতন লোৱা
তোমাৰ যতন ল'বলৈ দিয়া।

জানা মই বৰ স্বার্থপৰ
তোমাক কাষত পালেই
তোমাৰ হাত দুখন চুব মন যায়,
মন যায় তোমাৰ হাত, ওঁঠ ও কপালত
চুমা আঁকি দিবলৈ।
তুমি বিচাৰিলে মোক উন্মাদ প্রেমিকো
ক'ব পাৰা।



মই বৰ স্বার্থপৰ;
তোমাৰ কথা নাভাবো,
মই জানো দগা-পাল্লাৰ জোখেৰে
প্রেমৰ গভিৰতা জুখিব নোৱাৰি,
কিন্তু মই বিচাৰো মোৰ প্রেমৰ তুলনাত
তুমিও মোক দুগুণ ভালপোৱা।
নিদ্রা হৰণ কৰি
মোৰ মাজতেই লীন হোৱা।
জানা মই বৰ স্বার্থপৰ
মই একান্তই বিচাৰো
তুমি মাথোঁ মোৰ হোৱা।

শুকুলা মেঘৰ ছাঁত ৰ'দৰ জিৰণি

ত্রিবেণী বৰা

কপাহবুলিয়া মেঘালীক যেতিয়া
হেঙুলৰঙী ৰ'দে চুমি যায়...!
লাজত মৰহি গৈ ...
ফেঁহুৰঙী বিহাখন
গাতে মেৰাই লয়...!
ধনশিৰিৰ বুকুত মেলি দিয়ে
প্রণয়ৰ ডিঙাখনি...!
জিলমিলাই উঠে,
ৰূপালী ঢৌবোৰ।
পানীৰ যুৱলিৰ
বালিচন্দাবোৰেও
তিৰবিৰাই উঠে...!
তাতেই আৰম্ভ হয়!
নৈপৰীয়া এটি প্রেমৰ সাধু...!
শুকুলা মেঘৰ ছাঁত ৰ'দৰ জিৰণি।

শিৰসাগৰৰ বৰুৱা বামুণবাৰী গাঁৱত জন্মগ্ৰহণ কৰা সুকবি আনিছ উজ্ জামানে ১০ খনতকৈ অধিক গ্ৰন্থ ৰচনা কৰিছিল। সেইবোৰ হ'ল ক্ৰমে— অজ্ঞাতে (১৯৮৯), গধূলি (১৯৯৪), সেউজীয়া জোন (১৯৯৯), আনিছ উজ্ জামানৰ কবিতা (২০১০), বাটেদিয়েই (২০১৩), দোকমোকালি (২০১৪), নিৰ্বাচিত কবিতা (২০১৬)। শ্ৰব্য কেছেট 'টোৱোৰত নাচে দোতাৰা' আৰু 'নতুন নিয়ৰ'। তেওঁ প্ৰায় আঠখন কবিতা বিষয়ক গ্ৰন্থ সম্পাদনা কৰিছে আৰু শিশু সাহিত্যৰ বিষয়ে পাঁচখনকৈ পুথি ৰচনা কৰাৰ উপৰি বিখ্যাত জাপানী কবি মাটছুঅ' বাশ্বৰ জাপানী হাইকু কবিতাসমূহ ঃ 'এজাক ফুলৰ ধুমুহা' নামকৰণেৰে অসমীয়ালৈ অনুবাদ কৰিছে। তেওঁৰ সৃষ্টিৰাজি ইংৰাজী, হিন্দী, বঙালী, উৰিয়া, তামিল, ফৰাচী, স্পেনিছ আদি ভাষালৈ অনুবাদ হৈছে। বিশিষ্ট কবি আনিছ উজ্ জামানৰ 'নিৰ্বাচিত কবিতা' পুথিখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ প্ৰসংগ পুথি হিচাপে অন্তৰ্ভুক্ত হৈছে।

সাম্প্ৰতিক কালৰ অসমীয়া কাব্যৰ দ্বিতীয়গৰাকী জাতীয় কবি

আনিছ উজ্ জামান



নাছিৰ আহমেদ

সাম্প্ৰতিক কালৰ অসমীয়া কাব্যৰ দ্বিতীয়গৰাকী জাতীয় কবি (প্ৰথমগৰাকী জাতীয় কবি হিচাপে সন্মানিত হৈছিল কবি নীলমণি ফুকন) সাহিত্যিক, গীতিকাৰ, অনুবাদক তথা সাহিত্য সংগঠক, অসমীয়া বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী তথা মিৰ্জাৰ আৰ. বি. উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক আৰু পৰৱৰ্তী অসমৰ লোকসেৱা আয়োগৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰা আনিছ উজ্ জামানে গুৱাহাটী মহানগৰীৰ নেমকেয়াৰ নামৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত দীৰ্ঘদিন ধৰি কঠিন ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা অৱস্থাত যোৱা ২০ ছেপ্টেম্বৰ, ২০২৬ দেওবাৰে পুৱা ৫.৪০ বজাত ৭৯ বছৰ বয়সত অসমবাসীক কন্দুৱাই ইহলীলা সম্ভৰণ কৰে।

উল্লেখ্য যে শিৰসাগৰৰ বৰুৱা বামুণবাৰী গাঁৱত জন্মগ্ৰহণ কৰা সুকবি আনিজ উজ্ জামানে ১০ খনতকৈ অধিক গ্ৰন্থ ৰচনা কৰিছিল। সেইবোৰ হ'ল ক্ৰমে— অজ্ঞাতে (১৯৮৯), গধূলি (১৯৯৪), সেউজীয়া জোন (১৯৯৯), আনিছ উজ্ জামানৰ কবিতা (২০১০), বাটেদিয়েই (২০১৩), দোকমোকালি (২০১৪), নিৰ্বাচিত কবিতা (২০১৬)।

শ্ৰব্য কেছেট 'টোৱোৰত নাচে দোতাৰা' আৰু 'নতুন নিয়ৰ'।

তেওঁ প্ৰায় আঠখন কবিতা বিষয়ক গ্ৰন্থ সম্পাদনা কৰিছে আৰু শিশু সাহিত্যৰ বিষয়ে পাঁচখনকৈ পুথি ৰচনা কৰাৰ উপৰি বিখ্যাত জাপানী কবি মাটছুঅ' বাশ্বৰ জাপানী হাইকু কবিতাসমূহ ঃ 'এজাক ফুলৰ ধুমুহা' নামকৰণেৰে অসমীয়ালৈ অনুবাদ কৰিছে।

তেওঁৰ সৃষ্টিৰাজি ইংৰাজী, হিন্দী, বঙালী, উৰিয়া, তামিল, ফৰাচী, স্পেনিছ আদি ভাষালৈ অনুবাদ হৈছে।

বিশিষ্ট কবি আনিজ উজ্ জামানৰ 'নিৰ্বাচিত কবিতা' পুথিখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ প্ৰসংগ পুথি হিচাপে অন্তৰ্ভুক্ত হৈছে।



তেওঁ লাভ কৰা কেইটামান উল্লেখযোগ্য ৰাষ্ট্ৰীয় আৰু আঞ্চলিক বঁটাসমূহ হ'ল— গংগাধৰ ৰাষ্ট্ৰীয় কবিতা বঁটা (২০২২) ঃ উৰিষ্যাৰ সম্বলপুৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদান কৰা এই মৰ্যাদাপূৰ্ণ বঁটা লাভ কৰা তেওঁ তৃতীয়গৰাকী অসমীয়া কবি (ইয়াৰ পূৰ্বে নৱকান্ত বৰুৱা আৰু নীলমণি ফুকনে এই বঁটা লাভ কৰিছিল)।

২০২৫ চনত অসম সাহিত্য সভাই প্ৰদান কৰা উপাধি 'জাতীয় কবি'।

জাপানী হাইকু কবিতাৰ সফল অনুবাদক হিচাপে তেওঁ ২০২৩ চনত অমূল্য চক্ৰৱৰ্তী অনুবাদ বঁটা লাভ কৰে।

সদৌ অসম কবি সন্মিলনে 'কাব্যৰত্ন বঁটা' প্ৰদান কৰে। ইয়াৰ আগতে ২০২১ বৰ্ষৰ ধ্ৰুৱজ্যোতি বৰা সাহিত্য পুৰস্কাৰ আৰু পদ্মনাথ বিদ্যা বিনোদ সাহিত্য বঁটাৰেও তেওঁ বিভূষিত হৈছিল।

সাম্প্ৰতিক যুগৰ চিন্তা-চেতনাক অসমীয়া কাব্য জগতলৈ বোৱাই অনা শক্তিশালী অসমীয়া কবিসকল যেনে— নৱকান্ত বৰুৱা, নীলমণি ফুকন, হীৰেন ভট্টাচাৰ্য আদিয়ে কবিতাক লৈ কৰা বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে মুক্তক ছন্দ, স্পন্দিত গদ্য, ন ন উপমা, চিত্ৰকল্পৰ উপস্থাপন, ধৰ্মীয় বা জনশ্ৰুতিক ভিত্তি কৰি মিথ প্ৰয়োগ কৰি বৰ্তমান সমাজক চিত্ৰণ, প্ৰকৃতিক শক্তিশালী চৰিত্ৰৰূপে ৰূপায়ণ, মাৰ্ক্সীয় দৰ্শন, সমাজবাদী ভাবধাৰা, নৈৰাজ্যবাদ আদিৰ জৰিয়তে কবিতাৰ আত্মাক সাকাৰ ৰূপ দান কৰা আদি আংগিক আৰু ভাবধাৰাক অনুসৰণ কৰি পৰৱৰ্তী কবিসকলেও কাব্য চৰ্চা কৰি গ'লেও ৯০ দশকৰ পৰা বৰ্তমানলৈকে সাম্প্ৰতিক অসমীয়া কবিতা আগতকৈ বেছি বৈচিত্ৰ্যপূৰ্ণ হোৱা পৰিলক্ষিত হৈছে। এই কালৰ কবিসকলে অধ্যয়নলব্ধ জ্ঞানতকৈ অভিজ্ঞতালব্ধ অনুভূতিক বেছি গুৰুত্ব দিয়ে। ফলত কবিতাবোৰ স্থিৰ আৰু সুন্দৰ হোৱা পৰিলক্ষিত হয়। সাম্প্ৰতিক কালৰ কবিতাৰ জনপ্ৰিয়তাৰ বতাহ বলিবলৈ ধৰে সনন্ত তাঁতী, সমীৰ তাঁতী আৰু আনিজ উজ্ জামানৰ কবিতাসমূহৰ পৰা।

নিঃসন্দেহে, সাম্প্ৰতিক কালৰ অসমীয়া কাব্যৰ এজন জনপ্ৰিয় আৰু নিষ্ঠাৱান কবি হ'ল আনিজ উজ্ জামান।

ব্যক্তিগত চেতনাক সমূহীয়া স্তৰলৈ উন্নীত কৰিব পৰাতে তেখেতৰ কৃতিত্ব। সংবেদনশীলতা আৰু চিন্তাৰ গভীৰতা তেখেতৰ কবিতাত দেখা যায়। মানুহৰ সুখ-দুখৰ অনুভৱ আৰু বঞ্চিতজনৰ বেদনা তেওঁৰ কবিতাৰ বিষয়বস্তু। তেওঁৰ কবিতাত অসমীয়া জনজীৱন, গ্ৰাম্য পৰিৱেশ, লোক সংস্কৃতিৰ সুৰ, প্ৰকৃতি আৰু সময়ৰ প্ৰতি চেতনতাবোধ আৰু ঐতিহ্যৰ প্ৰতি আগ্ৰহ প্ৰকাশ হৈছে।

তেওঁৰ কবিতাৰ ভাষা চিত্ৰময়, যাৰ জৰিয়তে তেওঁ অতি সহজে পাঠকৰ মন জয় কৰিব পাৰে। জটিলতাৰ পৰিৱৰ্তে সহজ-সৰল তথা গভীৰ অৰ্থৱহ শব্দৰ বৰ্ণনা তেওঁৰ শিল্পকলাৰ অন্যতম অনুপম দিশ।

কবি আনিছ উজ্ জামানৰ চুটি কবিতাসমূহ সুন্দৰ সুন্দৰ চিত্ৰকল্প, ন ন উপমা, ব্যঞ্জনাময় শব্দৰ প্ৰয়োগ আৰু মিতভাষিতাৰে অধিক মনোৰম শব্দৰ বাছনি আৰু ছন্দৰ সঠিক প্ৰয়োগে কবিতাসমূহক গীতিময়তা প্ৰদান কৰিছে।

'চকুৰ টোপনিৰ আমেজ শেষ নহওঁতেই দেখিছিলো'

'আকাশৰ মুধচেদি সৰি পৰিছে! ! এটি ৰাতিপুৱা'

'মনিব পৰা দূৰৈৰ খিৰিকীত দেখিছিলো!! দুখন হাত'

এই উজ্জ্বল চিত্ৰকল্পসমূহৰ দ্বাৰা সুকবিগৰাকীয়ে ৰাতিপুৱাৰ সজীৱ চিত্ৰ জীৱন্ত ৰূপত প্ৰকাশ কৰিছে।


'ক'লৈনো খোজ ল'ম আনন্দত/ গোটেই বাটটোতেই/ শুকান পাত পৰি আছে/ নীৰৱতাই যে গান গাব পাৰে/ সিদিনাই প্ৰথম শুনিলো।' এই চিত্ৰকল্পখনলৈ মন কৰিলে দেখা পাওঁ, শুকান পাতে জীৱন আৰু সৌন্দৰ্যক সোঁৱৰাই দিছে। ইয়াত নীৰৱতাও বাঙ্ময় হৈ পৰিছে।

'ফুলে তৰা/ জ্বলে চকু/ দিশ পোহৰাই' কবিতাটিত তৰা ফুলা প্ৰসংগই ৰাতিৰ সুন্দৰ পৰিৱেশ, 'বালি জকেমকায়' প্ৰসংগই সেই ৰাতিৰ পূৰ্ণিমাৰ জোনাক ৰাতি, 'জ্বলে চকু'ৰ প্ৰসংগই শ্ৰীকৃষ্ণক পোৱাৰ তীব্ৰ হেঁপাহ, আনন্দত গোপীসকলৰ চকু উজ্জ্বল হৈ পৰিছে। বাঁহী বজায়/ যমুনাৰ বালি জকেমকায়' পূৰ্ণিমাৰ ৰাতি কৃষ্ণৰ ৰাসমঞ্চৰ প্ৰাকৃতিক সৌন্দৰ্য ধুনীয়াকৈ ফুটি উঠিছে।

কবিগৰাকীৰ 'মৃতকৰ খোলা হাত দুখন/ সকলোৱে চায়' শীৰ্ষক কবিতাটিৰ শাৰীয়ে মৃত্যুক প্ৰাকৃতিক শাশ্বত সত্য প্ৰক্ৰিয়া হিচাপে উপস্থাপন কৰিছে। 'ক'ৰবাৰ পৰা ফেঁচাটো উৰি আহি/হাত দুখনত পৰে' শাৰীটোৱে মৃতকৰ সৈতে স্বৰ্গৰ সংযোগৰ বাৰ্তা প্ৰেৰণ কৰিছে।

মুঠতে সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্য জগতত জাতীয় কবি হিচাপে সদায় বিৰাজমান বিশিষ্ট কবি আনিজ উজ্ জামানৰ সকলো কবিতাত চিত্ৰকল্পৰ এক মহাপয়োভৰ দেখা যায়; যিয়ে কবিতাসমূহক গীতিময়তা, নতুনত্ব আৰু ব্যঞ্জনা প্ৰদান কৰিছে। তেওঁৰ অকাল মৃত্যুক অসমীয়া সাহিত্য আৰু সমাজ জীৱনত এক মহাশূন্যতাৰ সৃষ্টি হ'ল। এই শূন্যতাক পূৰ্ণ কৰিবলৈ কমেও এক শতিকা লাগিব।

জাতীয় কবিগৰাকীৰ বিদেহ আত্মাৰ সদগতি কামনা কৰিলো আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিলো। ■



এগৰাকী শিক্ষকৰ ধৈর্য আৰু ত্যাগ

শ্রেণীকোঠাৰ নীৰৱ বিপ্লৱৰ আন এটা দিশ হ'ল বিজ্ঞানমনস্কতাৰ প্রসাৰ। সমাজত আজিও শিপাই থকা অন্ধবিশ্বাসবোৰ আঁতৰাবলৈ যুক্তিৰ প্রয়োজন। শিক্ষকে ছাত্র-ছাত্রীক প্রশ্ন কৰিবলৈ সাহস দিয়ে, কাৰণ যি শিক্ষাই প্রশ্ন কৰিবলৈ নিশিকায়, সেই শিক্ষা অসম্পূর্ণ। শিক্ষকৰ কাম কেৱল কিতাপৰ পৰা তথ্য দিয়াই নহয়, তেওঁ ছাত্রক মুক্তভাৱে চিন্তা কৰিবলৈ শিকাব লাগে। সমাজত চলি থকা বিভেদ আৰু বৈষম্যৰ বিৰুদ্ধে নীৰৱে মাত মতাৰ শিক্ষা ছাত্রই ইয়াৰ পৰাই লাভ কৰে। শিক্ষকৰ সততা, সময়ানুৱর্তিতা আৰু কামৰ প্রতি থকা নিষ্ঠাই ছাত্রৰ মনত এক স্থায়ী প্রভাৱ পেলায়। চৰিত্র গঠনৰ যি প্রক্রিয়া, সেয়া অতি মন্থৰ আৰু ইয়াৰ বাবে বছৰৰ পিছত বছৰ ধৰি নীৰৱ সাধনা কৰিব লাগে। এগৰাকী আদর্শ শিক্ষকে ছাত্রৰ ভুলবোৰ আঙুলিয়াই দিয়াৰ লগতে সেইবোৰ কেনেকৈ শুদ্ধ কৰিব লাগে, তাৰ পথ দেখুৱাই দিয়ে। তেওঁ ছাত্রক শিকায় যে বিফলতা মানেই জীৱনৰ শেষ নহয়, ই হ'ল সফলতাৰ একো একোটা খোজহে। এই আশাবাদী চিন্তাই ছাত্রক যিকোনো কঠিন পৰিস্থিতিৰ সৈতে যুঁজিবলৈ মানসিক শক্তি দিয়ে।

প্রেম বৈষ্ণৱ

মানৱ সভ্যতাৰ অগ্রগতিৰ যি সুদীর্ঘ ইতিহাস, সেই ইতিহাসৰ প্রতিটো স্তৰতে জ্ঞানৰ এক নিৰৱচ্ছিন্ন প্রবাহ দেখিবলৈ পোৱা যায়। মানুহে যেতিয়াৰ পৰা সমাজবদ্ধ হৈ থাকিবলৈ শিকিলে, তেতিয়াৰ পৰাই পৰৱর্তী প্রজন্মক জ্ঞান আৰু অভিজ্ঞতা হস্তান্তৰ কৰাৰ এক গুৰুত্বপূর্ণ প্রক্রিয়া আৰম্ভ হৈছিল। এই প্রক্রিয়াটোৰ যিগৰাকী প্রধান পৰিচালক, তেৱেঁই হ'ল শিক্ষক। সমাজত পৰিৱর্তনৰ কথা ক'লে আমাৰ মনলৈ প্রায়ে তীব্র সংগ্রাম বা ৰাজপথৰ উত্তাল আন্দোলনৰ ছবি এখন আহে। কিন্তু প্রকৃত অর্থত সমাজৰ আটাইতকৈ গভীৰ আৰু শক্তিশালী পৰিৱর্তনসমূহ অতি নীৰৱে আৰু শান্তভাৱেহে সংঘটিত হয়। এই বিশেষ পৰিৱর্তনক আমি নীৰৱ বিপ্লৱ বুলি অভিহিত কৰিব পাৰো, যাৰ আচল কর্মভূমি হ'ল এখন শিক্ষানুষ্ঠানৰ এটা সাধাৰণ শ্রেণীকোঠাটো। চাৰিবেৰৰ মাজত আবদ্ধ এই ক্ষুদ্র কোঠাটোতে এখন বিশাল পৃথিৱী নির্মাণৰ পৰিকল্পনা কৰা হয়। এগৰাকী শিক্ষকে নিজৰ অসীম ধৈর্য আৰু নীৰৱ সাধনাৰে প্রতিদিনেই ছাত্র-ছাত্রীৰ মনৰ জগতখনত নতুন নতুন চিন্তাৰ বীজ সিঁচি দিয়ে।

শিক্ষকতাৰ এই যাত্রা কেৱল পাঠ্যপুথিৰ আখৰকেইটা মুখস্থ কৰোৱাৰ মাজতে শেষ নহয়। ই হ'ল এক আধ্যাত্মিক আৰু মানৱীয় যাত্রা, য'ত এগৰাকী ব্যক্তিয়ে নিজৰ জ্ঞান, চৰিত্র আৰু আদর্শৰ দ্বাৰা আন ১০ জনৰ জীৱন গঢ়িবলৈ চেষ্টা কৰে। শ্রেণীকোঠাৰ সেই নীৰৱতাৰ মাজত যি বৌদ্ধিক আদান-প্রদান চলে, তাৰ মর্ম বুজি পোৱাটো অতি প্রয়োজনীয়। এজন আদর্শ শিক্ষকৰ বাবে শ্রেণীকোঠাটো এক পৱিত্র উপাসনা থলীৰ দৰে। সমাজৰ পৰা অমানৱীয়তা, কুসংস্কাৰ আৰু অজ্ঞানতা আঁতৰাবলৈ শিক্ষাৰ যি আলোকবর্তিকাৰ প্রয়োজন, সেই পোহৰ শিক্ষকে অতি যতনেৰে জ্বলাই ৰাখে। এই বিপ্লৱৰ কোনো বাহ্যিক প্রদর্শন নাথাকে; থাকে মাথোঁ এক গভীৰ দায়িত্ববোধ। শ্রেণীকোঠাৰ সেই শান্ত পৰিৱেশত যেতিয়া এজন ছাত্রই কোনো এটা নতুন কথা বুজি পায় আৰু তেওঁৰ দুচকু আনন্দত উজলি উঠে, তেতিয়াই সেই নীৰৱ বিপ্লৱৰ একোটা খোজ সফল হয়। দেশ এখনৰ প্রকৃত শক্তি ইয়াৰ অর্থনীতি বা সামৰিক শক্তিতকৈ সেই দেশৰ শিক্ষিত আৰু চৰিত্রৱান নাগৰিকৰ ওপৰতহে বেছি নির্ভৰ কৰে। তেনে নাগৰিক গঢ়াৰ প্রধান কেন্দ্র হ'ল শ্রেণীকোঠাটো।

শ্রেণীকোঠাৰ এই নীৰৱ বিপ্লৱৰ আঁৰত থকা মূল চালিকা শক্তিটো হ'ল শিক্ষক আৰু ছাত্রৰ মাজৰ নিবিড় সম্পর্ক। শিক্ষকৰ বাবে আটাইতকৈ ডাঙৰ প্রত্যাহ্বান হ'ল প্রতিজন ছাত্রৰ মনৰ দুৱাৰখন মুকলি কৰাটো। শ্রেণীকোঠাত বিভিন্ন মেধাৰ আৰু বিভিন্ন পৰিৱেশৰ পৰা অহা ল'ৰা-ছোৱালী থাকে। কাৰোবাৰ বুজি পোৱাৰ ক্ষমতা বেছি, আকৌ কাৰোবাৰ বাবে সেই একেটা বিষয় বুজিবলৈ বহু সময়ৰ প্রয়োজন হয়। তেনে অৱস্থাত এজন শিক্ষকৰ ধৈর্যৰ প্রকৃত পৰীক্ষা আৰম্ভ হয়। এগৰাকী নিষ্ঠাৱান শিক্ষকে কেতিয়াও কোনো ছাত্রক অৱহেলা নকৰে। তেওঁ জানে যে প্রতিটো শিশুৰ মাজত কিবা নহয় কিবা এটা সুপ্ত গুণ লুকাই থাকে। সেই গুণটোক বিচাৰি উলিয়াই তাৰ বিকাশ সাধন কৰাটোৱেই হ'ল শিক্ষকৰ প্রধান সাধনা। শিক্ষাৰ প্রকৃত লক্ষ্য কেৱল পৰীক্ষাত নম্বৰ পোৱাটো নহয়, এজন ব্যক্তিক নৈতিকভাৱে সবল কৰি তোলাটোহে আচল কাম। আজিৰ সমাজত যি নৈতিক অৱক্ষয় দেখিবলৈ পোৱা গৈছে, তাৰ পৰা পৰিত্রাণ পাবলৈ হ'লে শিক্ষা ব্যৱস্থাত এক আমূল পৰিৱর্তনৰ প্রয়োজন। যিদিনা এজন শিক্ষকে ছাত্রজনক আনৰ দুখত সমভাগী হ'বলৈ শিকাব আৰু সততাৰ গুৰুত্ব বুজাই দিব, সেইদিনাই সমাজখনৰ ভেটি মজবুত হ'ব।

বর্তমানৰ বিশ্বায়নৰ যুগত এজন শিক্ষকে ছাত্রক কেৱল এখন স্থানীয় জগতৰ সৈতে চিনাকি নকৰায়, আচলতে তেওঁক এজন বিশ্ব নাগৰিক হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰে। বিশ্বৰ যিকোনো প্রান্তৰ জ্ঞানক কেনেকৈ নিজৰ মাটি আৰু সংস্কৃতিৰ লগত খাপ খুৱাই ব্যৱহাৰ কৰিব পাৰি, সেই কৌশল শিক্ষকেই শিকায়। শ্রেণীকোঠাত বিভিন্ন আর্থ-সামাজিক পৃষ্ঠভূমিৰ পৰা অহা ছাত্র-ছাত্রীৰ মাজত একতাৰ সেতু নির্মাণ কৰাটো এজন শিক্ষকৰ আটাইতকৈ ডাঙৰ কৃতিত্ব। ইয়াত ধনী-দুখীয়া বা উচ্চ-নীচৰ কোনো প্রাচীৰ নাথাকে, থাকে মাথোঁ শিক্ষাৰ প্রতি থকা এক উমৈহতীয়া ধাউতি। শিক্ষকৰ সমদৃষ্টিভংগীয়ে ছাত্র-ছাত্রীক শিকায় যে প্রতিভা কাৰো ব্যক্তিগত সম্পত্তি নহয় আৰু সুযোগ পালে প্রতিজন ব্যক্তিয়েই সমাজৰ বাবে অৱদান আগবঢ়াব পাৰে। এই অন্তর্ভুক্তিমূলক দৃষ্টিভংগীয়েই এখন গণতান্ত্রিক সমাজৰ আচল ভেটি।

শ্রেণীকোঠাৰ নীৰৱ বিপ্লৱৰ আন এটা দিশ হ'ল বিজ্ঞানমনস্কতাৰ প্রসাৰ। সমাজত আজিও শিপাই থকা অন্ধবিশ্বাসবোৰ আঁতৰাবলৈ যুক্তিৰ প্রয়োজন। শিক্ষকে ছাত্র-ছাত্রীক প্রশ্ন কৰিবলৈ সাহস দিয়ে, কাৰণ যি শিক্ষাই প্রশ্ন কৰিবলৈ নিশিকায়, সেই শিক্ষা অসম্পূর্ণ। শিক্ষকৰ কাম কেৱল কিতাপৰ পৰা তথ্য দিয়াই নহয়, তেওঁ ছাত্রক মুক্তভাৱে চিন্তা কৰিবলৈ শিকাব লাগে। সমাজত চলি থকা বিভেদ আৰু বৈষম্যৰ বিৰুদ্ধে নীৰৱে মাত মতাৰ শিক্ষা ছাত্রই ইয়াৰ পৰাই লাভ কৰে। শিক্ষকৰ সততা, সময়ানুৱর্তিতা আৰু কামৰ প্রতি থকা নিষ্ঠাই ছাত্রৰ মনত এক স্থায়ী প্রভাৱ পেলায়। চৰিত্র গঠনৰ যি প্রক্রিয়া, সেয়া অতি মন্থৰ আৰু ইয়াৰ বাবে বছৰৰ পিছত বছৰ ধৰি নীৰৱ সাধনা কৰিব লাগে। এগৰাকী আদর্শ শিক্ষকে ছাত্রৰ ভুলবোৰ আঙুলিয়াই দিয়াৰ লগতে সেইবোৰ কেনেকৈ শুদ্ধ কৰিব লাগে, তাৰ পথ দেখুৱাই দিয়ে। তেওঁ ছাত্রক শিকায় যে বিফলতা মানেই জীৱনৰ শেষ নহয়, ই হ'ল সফলতাৰ একো একোটা খোজহে। এই আশাবাদী চিন্তাই ছাত্রক যিকোনো কঠিন পৰিস্থিতিৰ সৈতে যুঁজিবলৈ মানসিক শক্তি দিয়ে।

বর্তমানৰ যান্ত্রিক যুগত শিশুসকলৰ মানসিকতা অতি স্পর্শকাতৰ হৈ পৰিছে। তেওঁলোকৰ ওপৰত পঢ়া-শুনাৰ লগতে সমাজৰ বহুতো হেঁচা থাকে। আজিৰ ছাত্র-ছাত্রীসকলৰ মাজত সহনশীলতাৰ অভাৱ এক গম্ভীৰ সমস্যা হিচাপে দেখা দিছে। সামান্য বিফলতাতে তেওঁলোকে ধৈর্য হেৰুৱাই পেলায়। এনে সময়ত এজন শিক্ষকে তেওঁলোকক ■ *নৱম পৃষ্ঠাত*



অষ্টম পৃষ্ঠাৰ পৰা ঃ —

এগৰাকী শিক্ষকৰ ধৈর্য আৰু ত্যাগ

শিকায় কেনেকৈ প্রত্যাহ্বানৰ মুখামুখি হ'ব লাগে। তেওঁ বুজায় যে জীৱনৰ আচল পৰীক্ষা শ্রেণীকোঠাৰ নম্বৰত নহয়, আচল পৰীক্ষা সংকটৰ সময়ত দেখুওৱা মানসিক স্থিতপ্রজ্ঞাতাহে। এই শিক্ষাটো কোনো পাঠ্যপুথিত

লিখা নাথাকে, ই শিক্ষকৰ ব্যক্তিগত অভিজ্ঞতা আৰু জীৱন দর্শনৰ পৰাহে ছাত্রৰ হৃদয়লৈ প্রবাহিত হয়। শিক্ষকৰ ভূমিকাই তেওঁলোকক এক মানসিক আশ্রয় প্রদান কৰে। শ্রেণীকোঠাত শিক্ষকে অতি সাৱধানে প্রতিটো খোজ দিব লাগে, কাৰণ ছাত্র-ছাত্রীসকলে তেওঁলোককেই অনুকৰণ কৰে। বহুত সময়ত দেখা যায় যে পৰিয়ালৰ পৰা সহযোগ নোপোৱা বহুতো মেধাৱী ছাত্রই কেৱল শিক্ষকৰ প্রেৰণাতে জীৱনত আগুৱাই যাবলৈ সক্ষম হয়। শিক্ষকৰ এই সেৱা কেৱল এটা দৰমহাৰ বিনিময়ত কৰা কামৰ দৰে হ'লে নচলিব, ইয়াৰ বাবে লাগিব এক অন্তর্নিহিত মমতা। যিগৰাকী শিক্ষকে ছাত্রক নিজৰ সন্তানৰ দৰে জ্ঞান কৰে, তেৱেঁই প্রকৃত বিপ্লৱী।

এগৰাকী শিক্ষকৰ সাধনা কেৱল শ্রেণীকোঠাৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ নহয়। ই ছাত্র-ছাত্রীৰ ব্যক্তিগত জীৱনৰ ওপৰতো প্রভাৱ পেলায়। শিক্ষকগৰাকীয়ে যেতিয়া এজন ছাত্রৰ সমস্যাবোৰ মনোযোগেৰে শুনে, তেতিয়া সেই ছাত্রজনৰ মনৰ পৰা এটা ডাঙৰ বোজা নামি যায়। এই মানসিক সকাহে তেওঁক জীৱনৰ প্রতি অধিক আগ্রহী কৰি তোলে। সমাজৰ প্রতি থকা দায়বদ্ধতাই এজন শিক্ষকক এজন সমাজ সংস্কাৰক হিচাপে প্রতিষ্ঠা কৰে। আজিৰ প্রতিযোগিতামূলক জগতখনত ফলাফলক লৈ থকা চিন্তা আৰু অনিশ্চয়তাই ছাত্র-ছাত্রীক অতিষ্ঠ কৰি তোলে। এনে সময়ত শিক্ষকৰ উপদেশবোৰ অমূতৰ দৰে কাম কৰে। শিক্ষকে তেওঁলোকক বুজায় যে নম্বৰতকৈ জ্ঞান আৰু চৰিত্রৰ মর্যাদা বহুত বেছি। শিক্ষকৰ সান্নিধ্যই ছাত্রক এজন দেশপ্রেমিক আৰু সচেতন নাগৰিক হিচাপে গঢ়ি তোলে। এই সাধনা অতি নিৰলস আৰু ত্যাগৰ মহিমাৰে মহিমামণ্ডিত। এগৰাকী শিক্ষকে নিজৰ সমগ্র জীৱন আনৰ কল্যাণৰ বাবে উৎসর্গা কৰে। তেওঁৰ হাতত গঢ় লোৱা ছাত্রসকলে যেতিয়া সমাজৰ বিভিন্ন উচ্চ পদত অধিষ্ঠিত হয়, তেতিয়া সেই আত্মসন্তুষ্টিয়েই হয় শিক্ষকৰ আচল পুৰস্কাৰ।

বর্তমানৰ ডিজিটেল যুগত তথ্যৰ সহজলভ্যতা বৃদ্ধি পাইছে। এতিয়া যিকোনো কথা ম'বাইল ফোনৰ এটা ক্লিকতে জানিব পৰা যায়। এনে অৱস্থাত এজন শিক্ষকৰ প্রাসংগিকতা কিমান, সেই লৈ বহুতে প্রশ্ন কৰে। কিন্তু এটা কথা স্পষ্ট যে যন্ত্রই কেতিয়াও এজন মানুহৰ হৃদয়ৰ স্থান ল'ব নোৱাৰে। তথ্য হয়তো গুগলত পোৱা যাব পাৰে; কিন্তু সেই তথ্যক জ্ঞানলৈ ৰূপান্তৰ কৰিবলৈ এজন শিক্ষকৰ নির্দেশনা সদায় লাগিব। শ্রেণীকোঠাৰ যি উমাল স্পর্শ আৰু মানৱীয় আদান-প্রদান, তাক কোনো স্ক্রীনৰ জৰিয়তে লাভ কৰাটো অসম্ভৱ। গুগলৰ ওচৰত তথ্য আছে; কিন্তু শিক্ষকৰ ওচৰত আছে হৃদয়। এগৰাকী শিক্ষকে ছাত্রৰ চকুলৈ চাই তেওঁৰ মনৰ অৱস্থা বুজিব পাৰে, যিটো কাম কোনো এলগৰিদমে কৰিব নোৱাৰে। আজিৰ যুগত ছাত্র-ছাত্রীসকল সামাজিক মাধ্যমৰ প্রতি আসক্ত হোৱাৰ ফলত তেওঁলোকৰ একাগ্রতা কমি গৈছে। এনে পৰিস্থিতিত শিক্ষকৰ ভূমিকা এজন মনোবিজ্ঞানীৰ দৰে হৈ পৰে। তেওঁ ছাত্রক বুজাব লাগে যে ভার্চুৱেল জগতখনতকৈ বাস্তৱ পৃথিৱীখন বহুত ধুনীয়া। শ্রেণীকোঠাৰ নীৰৱ বিপ্লৱে ছাত্রক যান্ত্রিকতাৰ কবলৰ পৰা মুক্ত কৰি মানৱীয়তাৰ শিক্ষা দিয়ে। যন্ত্রৰ কোনো আৱেগ নাই; কিন্তু শিক্ষকৰ প্রতিটো শব্দতে আৱেগ থাকে যিয়ে ছাত্রক অনুপ্রাণিত কৰে।

শিক্ষাৰ চৰম সার্থকতা হ'ল এটা শিশুক আজীৱন শিকাৰু (lifelong learner) হিচাপে গঢ়ি তোলা। এগৰাকী প্রেৰণাদায়ক শিক্ষকে কেৱল এটা বিষয়ৰ সমাধান নিদিয়ে, তেওঁ ছাত্রৰ মনত এক তীব্র কৌতূহলৰ সৃষ্টি কৰে। যি কৌতূহলে ছাত্রজনক বিদ্যালয়ৰ শিক্ষা শেষ হোৱাৰ পিছতো নতুন কিবা শিকাৰ বাবে উৎসাহিত কৰি ৰাখে। এইদৰেই এজন শিক্ষকে সমাজত এক জ্ঞানৰ সংস্কৃতিৰ জন্ম দিয়ে। তেওঁৰ নীৰৱ সাধনাৰ ফলতেই সমাজত নতুন নতুন চিন্তাবিদ, বিজ্ঞানী আৰু সাহিত্যিকৰ সৃষ্টি হয়। এজন শিক্ষকে সিঁচি দিয়া সেই ক্ষুদ্র জ্ঞানৰ পোহৰেই এদিন সমাজৰ বৃহৎ আন্ধাৰ দূৰ কৰিবলৈ সক্ষম হয়।

অনাগত দিনবোৰত শিক্ষাৰ যি ডিজিটেল ৰূপান্তৰ হ'ব, তাতো শিক্ষকৰ ভূমিকা কেন্দ্রীয় হৈ থাকিব। প্রযুক্তিৰ ব্যৱহাৰে শিক্ষকক অধিক শক্তিশালী কৰি তুলিব পাৰে যদিহে তাক সঠিকভাৱে ব্যৱহাৰ কৰা হয়। যন্ত্রই আমাক দ্রুত কৰিব পাৰে, কিন্তু আমাক ধৈর্য দিব নোৱাৰে। ধৈর্য আৰু নীৰৱ সাধনাৰ এই শিক্ষা শ্রেণীকোঠাৰ পৰাই আহে। সমাজখনক এক সুস্থ দিশত আগুৱাই নিবলৈ শিক্ষকৰ এই অটল ভূমিকা সদায় অপৰিহার্য। এজন শিক্ষকে যি জ্ঞানৰ বর্ত্তি জ্বলাই দিয়ে, সেই বর্ত্তিয়েই পৰৱর্তী প্রজন্মৰ বাবে পথ প্রদর্শকৰ কাম কৰে। শিক্ষকৰ আনুষ্ঠানিক অৱসৰ হয়তো এটা নির্দিষ্ট বয়সত হয়, কিন্তু তেওঁৰ আদর্শৰ কেতিয়াও অৱসৰ নহয়। সমাজত শিক্ষকৰ মর্যাদা অক্ষুণ্ণ ৰখাৰ দায়িত্ব আমাৰ সকলোৰে। যিখন সমাজে শিক্ষকক সন্মান দিব নাজানে, সেই সমাজৰ বৌদ্ধিক পতন অনিবার্য। শিক্ষকতাৰ দৰে মহান ব্রতত নিজকে নিয়োজিত কৰা ব্যক্তিসকল আমাৰ সমাজৰ প্রকৃত নায়ক। শেষত আমি এইটো ক'ব পাৰো যে শ্রেণীকোঠাৰ নীৰৱ বিপ্লৱ এক অনন্ত যাত্রা। এই যাত্রাই মানৱ জাতিক সভ্যতাৰ শিখৰলৈ লৈ গৈছে আৰু ভৱিষ্যতেও লৈ যাব। শিক্ষকৰ ধৈর্যই এজন দুর্বল ছাত্রকো আকাশ চোৱাৰ সপোন দেখুৱাব পাৰে। সপোন দেখাৰ পৰা সেই সপোন পূৰণ হোৱালৈকে যি সুদীর্ঘ বাট, সেই বাটত শিক্ষকেই ছাত্রৰ সাৰথি হৈ আগুৱাই লৈ যায়। সমাজৰ পৰা অন্ধকাৰ আঁতৰাবলৈ আমাক অসংখ্য এনে নীৰৱ বিপ্লৱীৰ প্রয়োজন, যিসকলে কোনো প্রচাৰ অবিহনে কেৱল কর্তব্যৰ খাতিৰত নিজৰ জীৱন বিলীন কৰি দিয়ে। শিক্ষকৰ এই ত্যাগৰ মহিমা অপৰিসীম আৰু তেওঁৰ নীৰৱ সাধনাই সমাজৰ মেৰুদণ্ড গঢ়ে। নীৰৱ বিপ্লৱৰ এই জয়যাত্রা অব্যাহত থাকক আৰু আমাৰ সমাজত পোহৰৰ বিকিৰণ ঘটাই থাকক। য'ত শিক্ষকৰ সন্মান থাকে, সেই ঠাইতে প্রকৃত উন্নয়ন সম্ভৱ হয়। গতিকে আমি শিক্ষকসকলক তেওঁলোকৰ মহান কর্মৰ বাবে সদায় কৃতজ্ঞতা জনোৱা উচিত। তেওঁলোকৰ নীৰৱ সাধনাই আমাৰ পৃথিৱীখনক বাসোপযোগী কৰি ৰাখিছে। শিক্ষাৰ পোহৰ বিলাই দিয়া এই মহান খনিকৰসকলক আমি শ্রদ্ধাৰে মূৰ দোৱাওঁ। সমাজ গঢ়াৰ এই প্রক্রিয়াত শিক্ষকেই হ'ল আটাইতকৈ গুৰুত্বপূর্ণ শক্তি, যিয়ে নীৰৱে এখন নতুন পৃথিৱী গঢ়ি তোলে। ■

চতুর্থ পৃষ্ঠাৰ পৰা ঃ —

আধুনিক প্রযুক্তিত কণ-কণ

প্রয়োজন। স্মার্টফোন হাতত ল'বলৈ পায় আমাৰ ল'ৰা-ছোৱালীবোৰ অধিক স্মার্ট হ'ল। ম'বাইলৰ প্রতি আসক্ত হৈ বহু শিশুৱে ইউটিউব চোৱা, যৌনগন্ধী বিষয়বস্তু চোৱা, অনলাইন জুৱা খেলাৰ দৰে নকৰিবলগীয়া কাম কৰাও দেখা গৈছে। যাৰ ফলত বহু শিশুৰ শাৰীৰিক আৰু মানসিক জগতত প্রভাৱ পৰিছে। পিতৃ-মাতৃ ওচৰত থাকিলে ম'বাইলত পঢ়াৰ ভাও ধৰে আৰু ওচৰত নাথাকিলে ভিডিঅ' চাই থাকে। একেৰাহে ম'বাইল চোৱা বাবে বহু শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতী স্প'ণ্ডেলাইটিছত ভোগা দেখা গৈছে, দৃষ্টি শক্তি কমি গৈছে। ৰাজহাড়ৰ ডিঙিৰ অংশত সমস্যাৰ সৃষ্টি হৈছে, কম বয়সতে মেদবহুলতাই দেখা দিছে। তদুপৰি তেওঁলোক খিংখিঙীয়া হৈ পৰিছে, স্মৃতিশক্তি হ্রাস পাইছে, হতাশগ্রস্ততা বৃদ্ধি হৈছে, উদ্বিগ্নতাত ভুগিছে। তদুপৰি বহুত বেছি সময় ইণ্টাৰনেটৰ জগতখনত ব্যস্ত হৈ থকাৰ ফলত তেওঁলোক বাস্তৱৰ জগতৰ পৰা ক্রমান্বয়ে আঁতৰি কাল্পনিক জগতত বিচৰণ কৰিবলৈ লৈছে। বৈজ্ঞানিক গৱেষণা অনুসৰি ম'বাইল ফোনত আসক্ত হৈ পৰিলে ইয়াৰ ৰেডিয়েচনৰ বাবে যিকোনো ব্যক্তিৰ মস্তিষ্কত থকা হিপোকেম্পাছ নামৰ অংশটো সংকুচিত হবলৈ আৰম্ভ কৰে। যাৰ ফল মন মগজুৱে কাম নকৰা হয়।

আমি অনুভৱ কৰিছো, ম'বাইল ফোনৰ প্রতি থকা আসক্তিয়ে শিশুৰ পঢ়া-শুনাত মনোযোগ দিয়া কমাই দিছে, অতি দৰকাৰী কাম নকৰি তেওঁলোকে ফোনত ব্যস্ত হৈ থাকে। শিশু আৰু অভিভাৱকৰ মাজত এই কথাটোৰ বাবে একপ্রকাৰ সংঘাতৰ সৃষ্টি হৈছে। শৃংখলাবদ্ধতা নাইকিয়া হৈ যোৱাৰ দৰেই হৈছে। ইণ্টাৰনেট জড়িত অপৰাধবোৰত তেওঁলোক লিপ্ত হোৱা দেখা গৈছে। এটি কিশোৰেও ধর্ষণ, ডকাইতি, চুৰি কার্যৰ দৰে অপৰাধ সংঘটিত কৰিছে।

বর্তমান অত্যাধুনিকতাৰ প্রকোপত শিশুৰ শৈশৱৰ আনন্দখিনি যেন ক'ৰবাত হেৰাই গৈছে। শিশুৰ বাবে বর্তমান সময়ত ম'বাইল ফোনটো খুব আমোদজনক অপৰিহার্য সামগ্রী যেন হৈ পৰিছে। কোনো শিশুৱে মাতৃৰ গর্ভতে ম'বাইল ফোনৰ ব্যৱহাৰ, আধুনিক প্রযুক্তি এইবোৰ শিকি নাহে। এটি শিশুৱে পৃথিবীলৈ আহি জনা-বুজা হৈ চাৰিওফালে দেখি দেখি সকলোবোৰ অনুসৰণ কৰে। ৪-৫ বয়সৰ পিছতে এটা শিশুৱে চিন্তা কৰিবলৈ শিকে। সেয়ে শিশুসকল ম'বাইল ফোনৰ প্রতি আসক্ত হৈ পৰা কথাটোত আমি কেৱল তেওঁলোককে দোষাৰোপ কৰিব নোৱাৰো। ইয়াৰ বাবে অধিক দোষী অভিভাৱকসকলহে। কিয়নো অভিভাৱকসকলে নিজৰ কিছুমান কাম সহজ কৰিবলৈ গৈ বা কামৰ সময়ত শিশুসকলৰ পৰা আমনি নাপাবলৈ শিশুক ম'বাইলটো দি ব্যস্ত কৰি ৰাখে। এইটো মুঠেই উচিত নহয়; এনেকৈয়ে শিশুটি ম'বাইল ফোনৰ সৈতে পৰিচয় হয় আৰু সময়ত আসক্ত হৈ পৰে। কথাটো অতি গুৰুত্বপূর্ণ আৰু চিন্তনীয়। শিশুসকলক এই কুপ্রভাৱকাৰী পৰিৱেশৰ পৰা সুপথলৈ ওভতাই আনি এটা সুস্থ পৰিৱেশ দিয়াটো বর্তমান সময়ত প্রতিগৰাকী অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্রী আৰু প্রতিগৰাকী সমাজ সচেতন ব্যক্তিৰ অতি গুৰুত্বপূর্ণ দায়িত্ব হৈ পৰিছে। এই দায়িত্ব ঠিক মতে পালন কৰিব পাৰিলেহে আমাৰ ভৱিষ্যতটো নিৰাপদ হ'ব।

এই সন্দর্ভত ডাঃ সংগীতা দত্তই কৈছে যে— 'শিশুসকলক মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ অভিভাৱকসকল তেওঁলোকৰ আদর্শ ব্যক্তি হ'ব লাগিব। কিয়নো বর্তমান সময়ত যদি এটি শিশুক সোধা তুমি কাৰ দৰে হ'ব বিচৰা বা তোমাৰ আদর্শ ব্যক্তি কোন তেওঁলোকে বিমোৰত পৰে, কাৰ নাম ক'ব বিবেচনা কৰিব নোৱাৰে। কিন্তু পূর্বতে শিশুসকলে টপৰাই উত্তৰ দিছিল যে মই মোৰ দেউতাৰ দৰে হ'ব বিচাৰো, মই মোৰ মাৰ দৰে হ'ব বিচাৰো। সেয়েহে মই ক'ব বিচাৰিছো যে অভিভাৱকসকলে নিজৰ সৎ কর্মৰ জৰিয়তে সন্তানৰ বাবে আদর্শ ব্যক্তি হ'ব লাগিব। সন্তানৰ বাবে আদর্শ ব্যক্তি হ'বলৈ হ'লে অভিভাৱকে নিজে কৰা কিছুমান কাম এৰিব লাগিব। যিমান ব্যস্ত হ'লেও অভিভাৱকসকলে দৈনিক নিজৰ সন্তানক গুণগত সময় দিব লাগিব। দুই-তিনি ঘণ্টা সময় নিজৰ সন্তানৰ সৈতে কটাব লাগিব, তেওঁলোকৰ কথা পাতিব লাগিব। সন্তানৰ মনৰ ভিতৰত কি চলি আছে, কাৰ লগত কি কথা পাতিছে, ইণ্টাৰনেট কিমান সময় ব্যৱহাৰ কৰিছে, এই সকলোবোৰ জানিবৰ বাবে সন্তানৰ সৈতে বন্ধুত্বসুলভ সম্পর্ক গঢ়ি তুলিব লাগিব। সন্তানক সময় আৰু বয়স উপযোগী কিছুমান কথা বুজাই দিব লাগিব। তেওঁলোকে কৰা কিছুমান ভাল কামৰ বাবে তেওঁলোকক মৰম আদৰ কৰাৰ উপৰি কেতিয়াবা কেতিয়াবা উপহাৰো দিব লাগিব। তদুপৰি তেওঁলোকক মূল্যবোধৰ লগতে সফলতাৰ সংজ্ঞা কি সৰুৱে পৰা বুজাব লাগিব।' আমি এটি শিশুক ভগৱানৰ এক উপহাৰ বুলি কওঁ। কিন্তু বর্তমান সময়ত ভগৱানৰ এই উপহাৰটো আমি উপহাৰ হিচাপে ৰাখিবলৈ অভিভাৱকসকলে বহু প্রত্যাহ্বানৰ সম্মুখীন হৈছো। এই প্রত্যাহ্বান আমি অভিভাৱকসকলে বিশেষকৈ মাতৃসকলে দূৰ কৰিব লাগিব। সন্তানে দেউতাকতকৈ মাকৰ লগত বেছি মিলা-মিচা কৰে বা মাকৰ লগত এটি শিশুৰ দিনটোৰ বেছিভাগ সময় অতিবাহিত হয়। গতিকে এগৰাকী মাতৃয়ে তেওঁৰ সন্তানৰ শিক্ষা, অধিকাৰ, সুৰক্ষা আৰু ভৱিষ্যতটো সুৰক্ষিত কৰি সময় উপযোগীকৈ গঢ় দি অধুনিক প্রযুক্তিৰ কুপ্রভাৱৰ পৰা নিলগাই ৰাখি তেওঁলোকক ভাল মানুহ হিচাপে গঢ়িব লাগিব। প্রহ্লাদ দৈত্যৰ সন্তান যদিও মাতৃৰ হৰিভক্ত হৈ ৰ'ল। ধ্রুৱক সেৱা শিকালে। এয়া মাত্র মাতৃৰ মহিমা অপাৰ। অপাৰ মহিমামণ্ডিত হৈ নিজকে উৎসর্গিত কৰক, সমাজৰ চিত্রপট আমি বিচৰা ধৰণে মনোমোহা হ'ব। ■



নৃত্যকলা ৰত্ন সংগীতা দাস সিংহ

নৃত্যৰ সাধনাৰে সংস্কৃতিৰ পথত এক অনন্য যাত্রা

পংকজ বৰুৱা



অসমৰ সত্রীয়া সংস্কৃতিৰ সমৃদ্ধ পৰম্পৰাত যিসকল নৃত্যশিল্পীয়ে নিজৰ প্রতিভা, অধ্যৱসায় আৰু একাগ্র সাধনাৰে এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে, তেওঁলোকৰ ভিতৰত সংগীতা দাস সিংহ এগৰাকী উল্লেখযোগ্য নাম। নৃত্য তেওঁৰ বাবে কেৱল কলা নহয়, নৃত্য তেওঁৰ জীৱনৰ সাধনা, আত্মপ্রকাশৰ ভাষা আৰু অসমীয়া সাংস্কৃতিক ঐতিহ্যক আগুৱাই নিয়াৰ এক পৱিত্র দায়িত্ব।

১৯৮৪ চনৰ ৩০ ছেপ্টেম্বৰত জন্মগ্রহণ কৰা সংগীতা দাস সিংহৰ শৈশৱতেই গঢ় লৈ উঠিছিল এক সাংস্কৃতিক পৰিৱেশ। তেওঁৰ পিতৃ দয়াল চন্দ্র দাসে সমবায় সমিতিৰ মুখ্য কার্যালয়ত পঞ্জীয়ক হিচাপে কর্মজীৱন অতিবাহিত কৰি অৱসৰ গ্রহণ কৰে। মাতৃ লাবী দাস আছিল এগৰাকী সংস্কৃতিপ্রেমী মহিলা; তেওঁ বিহুনৃত্য পৰিৱেশন কৰাৰ লগতে বৰগীত গাইছিল। মাতৃৰ কণ্ঠৰ সুৰ আৰু নৃত্যৰ ছন্দই সৰুৰে পৰাই সংগীতাৰ কোমল মনত সংস্কৃতিৰ প্রতি এক গভীৰ অনুৰাগৰ বীজ ৰোপণ কৰিছিল।

গুৱাহাটীৰ চানমাৰী কৃষ্ণনগৰৰ শান্তাপ্রিয়া প্রাথমিক বিদ্যালয়ত তেওঁ শিক্ষাজীৱনৰ পাতনি মেলে। পৰৱর্তী সময়ত তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ত অধ্যয়ন কৰি প্ররেশিকা পৰীক্ষাত কৃতিত্বসহ উত্তীর্ণ হয়। উচ্চ শিক্ষাৰ পর্যায়ত তেওঁ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্রী লাভ কৰে। কিন্তু আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালভাৱে তেওঁৰ জীৱনৰ এক বিশেষ অধ্যায় গঢ় লৈ উঠিছিল নৃত্যৰ সাধনাক কেন্দ্র কৰি।

নৃত্য শিক্ষাৰ দীঘলীয়া সাধনা ঃ সংগীতা সিংহই নৃত্য জীৱনৰ পাতনি মেলে অতি কম বয়সতে। মাত্র ৪-৫ বছৰ বয়সৰ পৰাই নৃত্যৰ প্রতি তেওঁৰ গভীৰ আকর্ষণ জন্মে। প্রথমে বিহুনৃত্যৰ জৰিয়তে নৃত্য জগতত প্ররেশ কৰা সংগীতাই পৰৱর্তী সময়ত অভিনয় আৰু নৃত্য-নাটিকাতো অংশগ্রহণ কৰে। অভিনেত্রী জয়া শইকীয়াৰ সৈতে 'এমুঠি এমুঠি চাউল বহু মুঠি' নামৰ গুৱাহাটী দূৰদর্শন কেন্দ্রযোগে প্রচাৰিত নৃত্য-নাটিকাত অংশগ্রহণ কৰি শৈশৱতেই নিজৰ প্রতিভা দাঙি ধৰে। তেওঁৰ নৃত্য জীৱনৰ এক গুৰুত্বপূর্ণ অধ্যায় আৰম্ভ হয় ৮ বছৰ বয়সত। পিতৃ দয়াল চন্দ্র দাসে কন্যাৰ নৃত্য প্রতিভা আৰু আগ্রহ উপলব্ধি কৰি অসমৰ প্রথমখন চৰকাৰী অনুমোদনপ্রাপ্ত সত্রীয়া নৃত্য-গীত-বাদ্যৰ প্রশিক্ষণ প্রতিষ্ঠান 'সংগীত সত্র'ত সংগীতাক সত্রীয়া নৃত্য শিক্ষাগ্রহণৰ বাবে নামভর্তি কৰাই দিয়ে। তাত তেওঁ সংগীত নাটক একাডেমী বঁটাপ্রাপক স্বর্গীয় ৰসেশ্বৰ শইকীয়া বৰবায়নৰ তত্ত্বাৱধানত সত্রীয়া নৃত্যৰ প্রশিক্ষণ গ্রহণ কৰি চতুর্থ বর্ষলৈকে অধ্যয়ন কৰে। গুৰু ৰসেশ্বৰ শইকীয়া বৰবায়নৰ সান্নিধ্য আৰু শিকনিয়ে তেওঁৰ নৃত্য সাধনাক এক সুদৃঢ় ভেটি প্রদান কৰে। পৰৱর্তী সময়ত সংগীতাই বিশিষ্ট নৃত্যপটীয়সী মিতালী দত্ত বৰঠাকুৰৰ ওচৰত সত্রীয়া নৃত্যৰ শিক্ষা গ্রহণ কৰি অসম সত্র মহাসভাৰ সত্রীয়া-সংস্কৃতিৰ চর্চা কেন্দ্র, পৰীক্ষা পৰিষদৰ অধীনত বিশাৰদ ডিগ্রী লাভ কৰে। গুৰুৰ সান্নিধ্যত তেওঁ সত্রীয়া নৃত্যৰ শাস্ত্রীয় সৌন্দর্য, আধ্যাত্মিক গভীৰতা আৰু পৰম্পৰাগত শৈলীৰ সূক্ষ্মতাসমূহ আয়ত্ত কৰাৰ সুযোগ লাভ কৰে।

কেৱল সত্রীয়া নৃত্যতেই সীমাবদ্ধ নাথাকি তেওঁ ভাৰতীয় শাস্ত্রীয় নৃত্যৰ আন এক গুৰুত্বপূর্ণ ধাৰা কথকৰ প্রতিও আকর্ষিত হয়। লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা তেওঁ কথকত বিশাৰদ ডিগ্রী লাভ কৰে। এইক্ষেত্রত তেওঁৰ গুৰু আছিল ৰাজেন হাজোৱাৰী। সত্রীয়াৰ আধ্যাত্মিক মাধুর্য আৰু কথকৰ লয়-তাল-অভিনয়ৰ সমন্বয়ে তেওঁৰ নৃত্যচর্চাক অধিক বিস্তৃত আৰু সমৃদ্ধ কৰি তোলে।

তেওঁৰ নৃত্যত সেয়ে কেৱল পদচালনাৰ সৌন্দর্যই নহয়, দেখা যায় ভংগিমাৰ শালীনতা, অভিনয়ৰ অনুভৱ, লয়ৰ শৃংখলা আৰু আধ্যাত্মিক আৱেগৰ এক সুন্দৰ সমন্বয়।

তেওঁৰ সাধনাৰ নীৰৱ শক্তি এগৰাকী শিল্পীৰ সফলতাৰ আঁৰত বহু সময়ত থাকে পৰিয়ালৰ নীৰৱ ত্যাগ, উৎসাহ আৰু সহযোগিতা। সংগীতা দাস সিংহৰ ক্ষেত্রতো ইয়াৰ ব্যতিক্রম নহয়।

তেওঁৰ স্বামী চঞ্চল সিংহ তেজপুৰ বিশ্ববিদ্যালয়ত জ্যেষ্ঠ কাৰিকৰী সহায়ক হিচাপে কর্মৰত। সংগীতাৰ নৃত্য সাধনাৰ প্রতি তেওঁৰ সহায়-সহযোগিতা আৰু উৎসাহে শিল্পীগৰাকীৰ যাত্রাক অধিক শক্তিশালী কৰি আহিছে।

সংগীতা আৰু চঞ্চল সিংহৰ দুটি সন্তান। কন্যা বৃষ্টিতা সিংহ নৱম শ্রেণীৰ ছাত্রী আৰু মাতৃৰ পদাংক অনুসৰণ কৰি সত্রীয়া নৃত্যৰ শিক্ষা গ্রহণ কৰি আছে আৰু ইতিমধ্যে সংগীত সত্র পৰীক্ষা পৰিষদৰ পৰা তেওঁ 'গুণীন' উপাধি লাভ কৰিছে। পুত্র দৈৰিক সিংহ পঞ্চম শ্রেণীৰ ছাত্র আৰু খোলবাদ্যৰ প্রতি আগ্রহী হৈ ইয়াৰ শিক্ষা গ্রহণ কৰি আছে। এইদৰে এটি পৰিয়ালৰ মাজতেই যেন সংগীত, নৃত্য আৰু সত্রীয়া সংস্কৃতিৰ এক সুন্দৰ ধাৰাবাহিকতা বৈ আছে।

সংগীতা দাস সিংহৰ বাবে নৃত্য কোনো ক্ষণিকৰ আকর্ষণ নহয়। ই তেওঁৰ জীৱনৰ সৈতে নিবিড়ভাৱে সম্পৃক্ত এক সাধনাৰ নাম। সময়ৰ পৰিৱর্তন, জীৱনৰ বিভিন্ন দায়িত্ব আৰু ব্যস্ততাৰ মাজতো তেওঁ নৃত্যচর্চাক জীৱনৰ পৰা আঁতৰ হ'বলৈ দিয়া নাই।

তেওঁৰ নৃত্যত পৰম্পৰাৰ প্রতি শ্রদ্ধা আৰু নতুন প্রজন্মৰ প্রতি দায়বদ্ধতা দুয়োটাই প্রতিফলিত হয়। গুৰু-পৰম্পৰাৰ পৰা লাভ কৰা জ্ঞানক হৃদয়ত ধাৰণ কৰি তেওঁ সত্রীয়া নৃত্যক অধিক জনপ্রিয় আৰু নৱপ্রজন্মৰ মাজত অধিক পৰিচিত কৰি তোলাৰ ক্ষেত্রত নিজৰ সাধ্য অনুসৰি অৰিহণা আগবঢ়াই আহিছে।

'নৃত্যকলা ৰত্ন' সাধনাৰ স্বীকৃতি ঃ এগৰাকী শিল্পীৰ বাবে বঁটা কেৱল এটা সন্মানৰ নাম নহয়; ই তেওঁৰ বহু বছৰৰ সাধনা, ত্যাগ, অধ্যৱসায় আৰু শিল্পৰ প্রতি থকা নিষ্ঠাৰ এক সামাজিক স্বীকৃতি। সংগীতা দাস সিংহক গুৱাহাটীৰ পৰিৱেশ্য কলাৰ প্রশিক্ষণ কেন্দ্র নৃত্যসূর্য পংকজ বৰুৱা সত্রীয়া একাডেমীৰ তৰফৰ পৰা প্রদান কৰা ২০২৬ চনৰ ৰাষ্ট্রীয় নৃত্যকলা ৰত্ন বঁটা তেওঁৰ সুদীর্ঘ নৃত্য সাধনাৰ এক উল্লেখযোগ্য স্বীকৃতি।

এই সন্মানে তেওঁৰ ব্যক্তিগত সাফল্যকেই প্রতিফলিত কৰা নাই; ই তেওঁৰ মাতৃৰ পৰা লাভ কৰা সাংস্কৃতিক প্রেৰণা, গুৰুসকলৰ পৰা আহৰণ কৰা জ্ঞান, পৰিয়ালৰ সহযোগিতা আৰু নিজৰ অদম্য সাধনাৰ এক সামূহিক প্রতিফলন। সংগীতাৰ নৃত্যযাত্রা যেন এটি দীঘলীয়া নদীৰ দৰে, যাৰ উৎসত আছে মাতৃৰ সুৰ, গুৰুৰ আশীর্বাদ আৰু শৈশৱৰ সাংস্কৃতিক পৰিৱেশ; যাৰ সোঁতত আছে অধ্যৱসায়, অনুশীলন আৰু শিল্পৰ প্রতি গভীৰ নিষ্ঠা; আৰু যাৰ গন্তব্যত আছে অসমীয়া সত্রীয়া সংস্কৃতিৰ প্রতি এক নীৰৱ অথচ দৃঢ় সেৱা। আজিৰ দিনত 'নৃত্যকলা ৰত্ন' সংগীতা দাস সিংহ কেৱল এগৰাকী নৃত্যশিল্পীৰ নাম নহয়; তেওঁ হৈছে এটি সাংস্কৃতিক পৰিয়ালৰ প্রতিচ্ছবি, গুৰু-পৰম্পৰাৰ এগৰাকী নিষ্ঠাৱান শিষ্যা আৰু সত্রীয়া নৃত্যৰ সৌন্দর্যক হৃদয়ত ধাৰণ কৰি আগবাঢ়ি যোৱা এগৰাকী সাধক। তেওঁৰ এই নৃত্য সাধনাৰ পথ দীঘল হওক, তেওঁৰ শিল্পৰ সুৰ-লয়-তালত অসমীয়া সংস্কৃতিৰ চিৰন্তন সৌন্দর্য অধিক উজ্জ্বল হৈ উঠক, এয়াই তেওঁৰ প্রতি আন্তৰিক শুভ কামনা। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

আধুনিক সমাজৰ

আহি পৰিছে। একেদৰে সামাজিক পৰিৱেশ আৰু জনস্বাস্থ্যৰ প্রসংগত গান্ধীজীৰ স্বচ্ছতা আন্দোলন এক বৈপ্লৱিক পদক্ষেপ আছিল। তেওঁ ঘোষণা কৰিছিল যে স্বচ্ছতা স্বাধীনতাতকৈও অধিক গুৰুত্বপূর্ণ। ভাৰত চৰকাৰে আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানৰ দৰে বৃহৎ পদক্ষেপে দেশখনত অনাময় ব্যৱস্থাৰ এক যুগান্তকাৰী পৰিৱর্তন আনিছে যদিও গান্ধীজীৰ স্বচ্ছতাৰ অর্থ কেৱল শাৰীৰিক বা ভৌগোলিক আৱর্জনা নিষ্কাশনতেই সীমাবদ্ধ নাছিল। তেওঁৰ স্বচ্ছতা আছিল মানসিক মলিনতা, জাতিভেদ আৰু কুসংস্কাৰৰ বিৰুদ্ধে এক সন্মিলিত সংগ্রাম। সমাজৰ তথাকথিত দলিত আৰু নিষ্পেষিত শ্রেণীক মর্যাদা প্রদান কৰিবলৈ তেওঁ নিজ হাতেৰে অনাময় শ্রমিকৰ কাম কৰি শ্রমৰ মর্যাদা প্রতিষ্ঠা কৰিছিল। আজি একবিংশ শতিকাতো যেতিয়া সমাজৰ বিভিন্ন স্তৰত বৈষম্য, নাৰী নির্যাতন আৰু সাম্প্রদায়িক বিদ্বেষৰ বাতাবৰণ দেখিবলৈ পোৱা যায়, তেতিয়া স্পষ্ট হৈ পৰে যে আমাৰ সমাজখনক মানসিক স্বচ্ছতাৰ এক নতুন অভিযানৰ অতি প্রয়োজন হৈছে।

মহাত্মা গান্ধীয়ে নাৰী শক্তিক সমাজ পৰিৱর্তনৰ আটাইতকৈ শক্তিশালী চালিকাশক্তি হিচাপে গণ্য কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্রামৰ দিনবোৰত ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থকা লাখ লাখ মহিলাক ৰাজপথলৈ উলিয়াই আনি অহিংস আন্দোলনৰ মূল কাণ্ডাৰী কৰি তোলাটো ইতিহাসৰ এক বিৰল ঘটনা আছিল। গান্ধীজীৰ বিশ্বাস আছিল যে নৈতিক শক্তি আৰু আত্মত্যাগৰ ক্ষেত্রত নাৰী পুৰুষতকৈ কোনো গুণে কম নহয়। আজিৰ যুগত যেতিয়া নাৰী সুৰক্ষা আৰু সম অধিকাৰৰ প্রশ্নটো সমগ্র দেশজুৰি চর্চিত হৈছে, তেতিয়া গান্ধীজীৰ নাৰী সৱলীকৰণৰ আদর্শই আমাক সোঁৱৰাই দিয়ে যে নাৰীক কেৱল আইনগত অধিকাৰ দিয়াই যথেষ্ট নহয়, তেওঁলোকক সামাজিক আৰু অর্থনৈতিকভাৱে সম্পূর্ণ সমমর্যাদা প্রদান নকৰিলে কোনো দেশ বা সমাজে প্রকৃত প্রগতি লাভ কৰিব নোৱাৰে। প্রকৃততে সমাজ পৰিৱর্তন কোনো কৃত্রিম ব্যৱস্থা বা কেৱল চৰকাৰী অনুদানৰ ওপৰত নির্ভৰ কৰি স্থায়িত্ব লাভ কৰিব নোৱাৰে। গান্ধীজীৰ চিন্তাৰ অনুপম বৈশিষ্ট্য এয়াই আছিল যে তেওঁ ৰাজনৈতিক মুক্তিৰ সমান্তৰালভাৱে সামাজিক আৰু আধ্যাত্মিক মুক্তিৰ ওপৰত সমানে জোৰ দিছিল। তেওঁৰ বাবে উদ্দেশ্য আৰু উপায়ৰ পৰিত্রতা অপৰিহার্য আছিল। অর্থাৎ এটা মহৎ উদ্দেশ্য সাধন কৰিবলৈ গৈ অনৈতিক বা হিংসাত্মক পথ অৱলম্বন কৰিলে সেই উদ্দেশ্যৰ কোনো মূল্য নাথাকে। বর্তমানৰ ৰাজনীতি আৰু সমাজ ব্যৱস্থাত যেতিয়া যিকোনো প্রকাৰে ক্ষমতা দখল আৰু লক্ষ্যপ্রাপ্তিকেই একমাত্র সফলতা হিচাপে গণ্য কৰা হৈছে, তেতিয়া গান্ধীৰ উপায়ৰ পৰিত্রতাৰ নীতিটো এক সুস্থ গণতান্ত্রিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্রত আটাইতকৈ জৰুৰী পথপ্রদর্শক ৰূপে দেখা দিয়ে।

গান্ধীজী কোনো ধূলিধূসৰিত অতীতৰ প্রতিমূর্তি নহয়, বৰং তেওঁ হৈছে বর্তমান আৰু ভৱিষ্যতৰ এক জীৱন্ত নৈতিক বিকল্প। ২ অক্টোবৰৰ দিনটোত মালা পিন্ধাই বা ভাষণ দি দায়িত্ব সামৰাৰ পৰিৱর্তে তেওঁৰ অহিংসা, সততা, পৰিৱেশ সচেতনতা আৰু সার্বজনীন মানৱপ্রেমৰ শিক্ষাক বাস্তৱ জীৱনত প্রতিফলিত কৰাটোহে হ'ব তেওঁৰ প্রতি প্রকৃত শ্রদ্ধাঞ্জলি। আজিৰ অশান্ত, বিভক্ত আৰু প্রদূষিত পৃথিৱীখনক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰি এখন সমতাপূর্ণ, শান্তিপূর্ণ আৰু প্রকৃতিবান্ধৱ মানৱ সমাজ গঢ়ি তুলিবলৈ হ'লে গান্ধী দর্শনৰ পোহৰ বিচাৰি আমি পুনৰ আত্মানুসন্ধান কৰিবই লাগিব। এই আত্মানুসন্ধান আৰু অহিংস সংগ্রামেই হ'ব আধুনিক সমাজ পৰিৱর্তনৰ আটাইতকৈ সার্থক পদক্ষেপ। ■

প্রথম পৃষ্ঠাৰ পৰা ঃ — ৰাজ্যত ১৭ খনলৈ বৃদ্ধি মেডিকেল কলেজ

আদর্শ মহাবিদ্যালয়ৰ উন্নীত আন্তঃগাঁথনি, সৃজনগ্রাম (সস্তৰ)ত আন্তঃগাঁথনি উন্নীত কৰা শ্রীশ্রীৰঘুনাথ বিগ্রহ মন্দিৰ সত্র আৰু বীৰঝৰা চাহ বাগিচাত আদর্শ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰাৰ উপৰি বিসর্জন ঘাটত মহাৰাজ নৰনাৰায়ণৰ প্রতিমূর্তি এটাও আনুষ্ঠানিকভাৱে উন্মোচন কৰে। চিকিৎসা মহাবিদ্যালয়কে ধৰি মুখ্যমন্ত্রীয়ে উদ্বোধন কৰা প্রকল্পসমূহৰ বাবদ ব্যয় হৈছে প্রায় ৭১১ কোটি টকা।

উল্লেখ্য যে মুখ্যমন্ত্রীয়ে যোৱা ৫ অক্টোবৰত উদ্বোধন কৰা বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খন প্রায় ৬১১ কোটি টকা ব্যয়ৰে ১৫১ বিঘা ভূমিত নির্মাণ কৰা হৈছে। এই চিকিৎসা প্রতিষ্ঠানখনত ৪৩০খন বিছনাযুক্ত হাস্পতাল, শৈক্ষিক ব্লক, শিক্ষার্থী, নার্ছ আদিৰ বাবে হোষ্টেলকে ধৰি বিভিন্ন আন্তঃগাঁথনি নির্মাণ কৰা হৈছে। আনহাতে, ২৪ বিঘা ভূমিত নির্মাণ কৰা বঙাইগাঁও জিলা আয়ুক্তৰ সংহত কার্যালয় ভৱনটোৰ বাবদ ব্যয় হৈছে প্রায় ৫০ কোটি টকা। সেইদৰে, আদর্শ আৱাসিক বিদ্যালয়খন ৩০ কোটি টকা, আদর্শ মাধ্যমিক বিদ্যালয়খন ৩ কোটি টকা ব্যয়েৰে নির্মাণ কৰাৰ উপৰি পণ্ডিত দীনদয়াল উপাধ্যায় আদর্শ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি ১১ কোটি টকাৰে উন্নীত কৰা হৈছে। বঙাইগাঁও বিসর্জন ঘাটত মহাৰাজ নৰনাৰায়ণৰ প্রতিমূর্তিটো স্থাপনৰ বাবদ ব্যয় হৈছে ৩৪ লাখ টকা। জনসভাখনত প্রদান কৰা ভাষণত মুখ্যমন্ত্রী ড° শর্মাই নামনি অসমৰ অন্যতম গুৰুত্বপূর্ণ চহৰ বঙাইগাঁৱত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ পাই তেওঁ অতি গৌৰৱ অনুভৱ কৰা বুলি মন্তব্য কৰে। দেশৰ স্বাধীনতাৰ ৬০ বছৰলৈকে অসমত মাত্র তিনিখন চিকিৎসা মহাবিদ্যালয় আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে ২০০১ চনত প্রথমবাৰৰ বাবে তেওঁ অসম চৰকাৰৰ মন্ত্রী হোৱাৰ পিছত ৰাজ্যৰ বিভিন্ন স্থান ভ্রমণৰ সময়ত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে আহ্বান জনাই কেতিয়াও আবেদন লাভ কৰা নাছিল। ৰাজ্য চৰকাৰে পৰৱর্তী সময়ত যোৰহাট, তেজপুৰ আৰু বৰপেটাত একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিছিল। ২০১৬ চনত অসমত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হোৱাৰ পিছত ৰাজ্যৰ প্রতিখন জিলাত পর্যায়ক্রমে একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা গ্রহণ কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ আধাৰতে আজি বঙাইগাঁৱত চিকিৎসা মহাবিদ্যালয়খনে আত্মপ্রকাশ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্রীয়ে সদৰী কৰে যে সম্প্রতি চৰাইদেউ, বিশ্বনাথ চাৰিআলি, গোলাঘাট, মৰিগাঁও, তামুলপুৰ, ধেমাজি, শিৱসাগৰ, শ্রীভূমি আৰু গোৱালপাৰাত চিকিৎসা মহাবিদ্যালয় নির্মাণৰ কাম চলি আছে। তেওঁ লগতে জানিবলৈ দিয়ে যে ইয়াৰ উপৰি ৰাজ্য চৰকাৰে পর্যায়ক্রমে বজালী, হাইলাকান্দি, হোজাই আৰু মাজুলীত চিকিৎসা মহাবিদ্যালয় নির্মাণৰ নীতিগত সিদ্ধান্ত গ্রহণ কৰিছে। চিকিৎসা মহাবিদ্যালয়ৰ সংখ্য বৃদ্ধিৰ ফলস্বৰূপে ৰাজ্যত সর্বমুঠ এমবিবিএছ আসনৰ সংখ্যা দুহেজাৰৰো অধিক হৈছে বুলি তেওঁ কয়। বিগত বিধানসভা নির্বাচনৰ সময়ত প্রতিখন জিলাতে একোখনকৈ বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্রিক মহাবিদ্যালয় স্থাপনৰ প্রতিশ্রুতি প্রদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে ইয়াৰ আধাৰতে বঙাইগাঁও মহাবিদ্যালয়ক ইতিমধ্যে বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হৈছে আৰু অতি কম সময়ৰ ভিতৰতে অঞ্চলবাসীয়ে এখন অভিযান্ত্রিক মহাবিদ্যালয়ো লাভ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্রীয়ে মন্তব্য কৰে— 'বঙাইগাঁও আধুনিক শিক্ষাৰ দৃষ্টিভংগীৰে এখন পূর্ণাংগ জিলালৈ ৰূপান্তৰ হ'ব, য'ত বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্রিক মহাবিদ্যালয় থাকিব। উচ্চ শিক্ষাৰ তিনিওখন প্রতিষ্ঠান থকা এনে জিলাৰ সংখ্যা সমগ্র দেশৰ ভিতৰতে অতি কম। বিগত পাঁচ বছৰৰ ভিতৰত অসম মালাৰ অধীনত পথ, সন্মিলন কেন্দ্র, ষ্টেডিয়াম নির্মাণ আদিয়ে বঙাইগাঁৱক এখন আধুনিক চহৰলৈ ৰূপান্তৰ কৰিছে।'


ভাষণ প্রসংগত মুখ্যমন্ত্রীয়ে কয় যে বঙাইগাঁৱৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্রচেষ্টা চলাই আহিছে। বঙাইগাঁও বিশ্ববিদ্যালয়ক এখন পূর্ণাংগ বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে বহুকেইটা সিদ্ধান্ত গ্রহণ কৰিছে আৰু উচ্চ শিক্ষা প্রতিষ্ঠানখনৰ আন্তঃগাঁথনি নির্মাণৰ বাবে ১০০ কোটি টকা প্রদান কৰা হ'ব। তেওঁ লগতে উল্লেখ কৰে যে অসমৰ সমাজ জীৱনৰ মহানায়কসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা গ্রহণ কৰিছে। ইয়াৰ আধাৰতে যোৰহাটৰ হোলোঙাপাৰত মহাবীৰ লাচিত বৰফুকনৰ প্রতিমূর্তি স্থাপনৰ পিছত বঙাইগাঁৱত ১০০ ফুটতকৈও অধিক উচ্চতাৰ বিশ্ব মহাবীৰ চিলাৰায়ৰ প্রতিমূর্তি নির্মাণৰো চৰকাৰে ইতিমধ্যে সিদ্ধান্ত গ্রহণ কৰিছে বুলি তেওঁ কয়।

ইয়াৰ পূর্বে, বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ উদ্বোধনৰ পিছত চিকিৎসা প্রতিষ্ঠানখনত নামভর্তি কৰা শিক্ষার্থীসকলক সম্বোধন কৰি মুখ্যমন্ত্রী ড° শর্মাই কয় যে ২০০৬ চনত তেওঁ প্রথমবাৰৰ বাবে ৰাজ্যৰ স্বাস্থ্য মন্ত্রীৰ দায়িত্ব লোৱাৰ সময়ত গুৱাহাটী, ডিব্রুগড় আৰু শিলচৰত থকা তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ এমবিবিএছ পাঠ্যক্রমত অসমৰ ২৫০ গৰাকী শিক্ষার্থীয়েহে নামভর্তি কৰিব পাৰিছিল। যাৰ বাবে বুজন সংখ্যক শিক্ষার্থী চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে বহিঃৰাজ্যলৈ গতি কৰিছিল। ইয়াৰ পৰিপ্রেক্ষিততে ৰাজ্যত চিকিৎসা শিক্ষাৰ সম্প্রসাৰণৰ বাবে গ্রহণ কৰা প্রচেষ্টাৰ ফলত এইমছ গুৱাহাটী আৰু ইএছআইচি চিকিৎসা মহাবিদ্যালয়কে ধৰি অসমত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৭ খনলৈ বৃদ্ধি পাইছে। আগন্তুক পাঁচ বছৰত প্রতিবছৰে গঢ়ে দুখনকৈ নতুন চিকিৎসা মহাবিদ্যালয়ে আত্মপ্রকাশ কৰিব বুলিও মন্তব্য কৰি তেওঁ কয় যে ২০৩২ চনলৈ ৰাজ্যত সর্বমুঠ ৩০ খন চিকিৎসা মহাবিদ্যালয় স্থাপন হ'ব। তদুপৰি, এই সময়ছোৱাত ৰাজ্যত ব্যক্তিগত খণ্ডৰ চিকিৎসা মহাবিদ্যালয় গঢ়ি উঠাৰো সম্ভাৱনা আছে। ইয়াৰ ফলত চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে ইচ্ছুক অসমৰ শিক্ষার্থীয়ে বহিঃৰাজ্যত নামভর্তি কৰাৰ প্রয়োজনীয়তা নোহোৱা হ'ব। ভাষণত মুখ্যমন্ত্রীয়ে ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ আসনৰ সংখ্যা বৃদ্ধিৰ সমান্তৰালকৈ মানবিশিষ্ট চিকিৎসক সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে অধ্যয়ন সমাপ্তিৰ পিছত এজন উত্তম চিকিৎসক হিচাপে সমাজত উজলি উঠিবলৈ শিক্ষার্থী এগৰাকীক বিশেষ দক্ষতাৰ প্রয়োজন হ'ব আৰু এই দক্ষতা ৰোগীৰ সমস্যা নিখুঁতকৈ বুজি প্রদান কৰা উপযুক্ত নিদানৰ আধাৰত প্রতিফলিত হ'ব। তেওঁ কয় যে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ত এইবাৰ নামভর্তি কৰা শিক্ষার্থীসকলে তেওঁলোকৰ শিক্ষা গ্রহণৰ সমাপ্তিলৈ ৰাজ্যৰ চিকিৎসা শিক্ষাৰ ক্ষেত্রখন সম্পূর্ণৰূপে সলনি হৈ পৰিব, য'ত প্রতিবছৰে তিনিৰ পৰা পাঁচ হাজাৰ নতুন চিকিৎসক ৰাজ্যত সংযোজিত হ'ব। ইয়ে ৰোগী এজনক নিজৰ বাবে উপযুক্ত চিকিৎসক এজন বাছনি কৰাৰ সামর্থ প্রদান কৰিব। তেওঁ কয় যে ৰোগ চিনাক্তকৰণ আৰু সুস্থ কৰি তোলাৰ দিশেৰে প্রতিগৰাকী ৰোগীয়ে চিকিৎসক এগৰাকীক একোটা নতুন অভিজ্ঞতা প্রদান কৰে। সেয়ে ভৱিষ্যতে নিজকে এজন দক্ষ চিকিৎসক হিচাপে গঢ়ি তোলাৰ বাবে অধ্যয়নত গভীৰভাৱে মনোনিৱেশ কৰাৰ লগতে পৰৱর্তী পর্যায়ত চিকিৎসা গ্রহণৰ বাবে অহা প্রতিগৰাকী ৰোগীৰে স্বাস্থ্য সম্বন্ধীয় বিষয়সমূহ পুংখানুপুংখভাৱে বিশ্লেষণৰ মানসিকতা গঢ়িবলৈ তেওঁ শিক্ষার্থীসকলক আহ্বান জনায়। গুৱাহাটী, ডিব্রুগড় আৰু শিলচৰস্থিত চিকিৎসা মহাবিদ্যালয়ক বাদ দি ৰাজ্যত স্থাপন হোৱা প্রতিখন চিকিৎসা মহাবিদ্যালয়ৰ সৈতে স্থাপনৰ প্রাৰম্ভিক প্রক্রিয়াৰ পৰা উদ্বোধনলৈকে তেওঁ জড়িত হৈ আহিছে বুলিও মুখ্যমন্ত্রীয়ে মন্তব্য কৰে। স্মর্তব্য যে, বঙাইগাঁও জিলাৰ বিকাশত নতুন গতি দিবলৈ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বাধীন বিগত চৰকাৰৰ কার্যকালত প্রায় ১,৫০০ কোটি টকাৰ বিভিন্ন প্রকল্পৰ শিলান্যাস আৰু উদ্বোধন কৰা হৈছিল। মুখ্যমন্ত্রীয়ে ইয়াৰে ২০২২ চনত জিলাখনত প্রায় ৭০০ কোটি টকাৰ, ২০২৩ চনৰ ২৭ জুলাইত ৫৫৫ কোটি টকাৰ আৰু ২০২৪ চনৰ ৫ মার্চত ১৭১ কোটি টকাৰ প্রকল্পৰ শিলান্যাস আৰু উদ্বোধন কৰিছিল। মুখ্যমন্ত্রীয়ে উদ্বোধন কৰা বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, জিলা আয়ুক্তৰ সংহত কার্যালয় ভৱন আৰু মহাৰাজ নৰনাৰায়ণৰ প্রতিমূর্তিটোৰ শিলান্যাস ২০২২ চনৰ বিকাশৰ পযেক কার্যসূচীৰ সময়ত আৰু অভয়াপুৰীৰ শ্রীশ্রীৰঘুনাথ বিগ্রহ মন্দিৰ সত্র প্রকল্পৰ শিলান্যাস ২০২৩ চনৰ ২৭ জুলাইত কৰা হৈছিল। এই উদ্বোধনী অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্রী অশোক সিংহল, ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্রী কেশৰ মহন্ত, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্রী অশ্বিনী ৰায় সৰকাৰ, সাংসদ ফণীভূষণ চৌধুৰী, বিধায়িকা দীপ্তিময়ী চৌধুৰী, বিধায়ক ভূপেন ৰায়ৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনৰ অধ্যাপক-অধ্যাপিকা আৰু শিক্ষার্থীসকল উপস্থিত থাকে।

ব্রহ্মপুত্র নদীৰ সংহাৰী ৰূপ

দক্ষিণ শালমাৰাত নৈত জাহ গ'ল জলজীৱন মিছনৰ কোটিটকীয়া প্রকল্প

অসম ভূমি সেৱা, হাটশিঙিমাৰী ঃ অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান আঁচনি জলজীৱন মিছন প্রকল্প দক্ষিণ শালমাৰা ফকিৰগঞ্জত মহাবাহু ব্রহ্মপুত্রৰ খহনীয়াত ভাঙি-ছিঙি কোটিটকীয়া পানীৰ টেংকী নদীৰ গর্ভত বিলীন হ'ল। ৰাজ্যখনত চৰকাৰে খহনীয়া প্রতিৰোধ কৰাৰ নামত বিভিন্ন সময়ত কোটি কোটি টকা আবণ্টন দিছিল যদিও দীর্ঘম্যাদী বিজ্ঞানসম্মত আঁচনি ৰূপায়ণ নকৰাত কোটিটকীয়া জলজীৱন মিছন প্রকল্পটো নদীৰ গর্ভত বিলীন হ'ল আৰু হাজাৰ হাজাৰ মানুহৰ ঘৰ-বাৰী, বিভিন্ন চৰকাৰী স্কুল-কলেজ, ডাকঘৰ, চিকিৎসা কেন্দ্র, বেচৰকাৰী শিক্ষানুষ্ঠান, হাজাৰ হাজাৰ হেক্টৰ কৃষিভূমি নদীৰ গর্ভত বিলীন হ'ল। চৰকাৰী প্রশাসন তথা সংশ্লিষ্ট জলসম্পদ বিভাগৰ উদাসীনতা আৰু চৰম অৱহেলাৰ বাবেই কোটি কোটি টকাৰ ৰাজকোষৰ ধনৰ অপচয় হৈছে যাৰ ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। প্রাপ্ত তথ্য মতে ধাপন গাঁও আৰু আশে-পাশে থকা বৃহত্তৰ অঞ্চলত দীর্ঘদিন ধৰি মহাবাহু ব্রহ্মপুত্র নদীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰি খহনীয়া অব্যাহত ৰাখিছে। বৃহত্তৰ অঞ্চলত খহনীয়াই ক্রমে ভাবুকি কঢ়িয়াই অনা সত্ত্বেও ৰাজ্য চৰকাৰ আৰু জলসম্পদ বিভাগে আৰু জনপ্রতিনিধিয়ে স্থায়ী প্রতিৰোধমূলক ব্যৱস্থা গ্রহণ নকৰিলে। খহনীয়াৰ তাণ্ডৱৰ কথা বিভিন্ন সময়ত স্থানীয় ৰাইজ, দল-সংগঠন আৰু সচেতন মহলে প্রতিৰোধ কৰাৰ বাবে বাৰম্বাৰ বিভাগীয় কর্তৃপক্ষক আৰু প্রশাসনক অৱগত কৰি ৰাখিছিল যদিও সকলো আবেদন-নিবেদন কেৱল আশ্বাসতে সীমাবদ্ধ হৈ ৰ'ল। গ্রাম্য অঞ্চলৰ ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানী যোগান ধৰা উদ্দেশ্যৰে চৰকাৰে কোটি কোটি টকা ব্যয় কৰি জলজীৱন মিছনৰ অধীনত এই বিশাল প্রকল্পটো নির্মাণ কৰি উলিয়াইছিল। স্থানীয় ৰাইজৰ বহু আশা আছিল আমাৰ ল'ৰা-ছোৱালী বিশুদ্ধ খোৱাপানী খাব পাৰিব কিন্তু নহ'ল। খহনীয়াৰ গতিৰ প্রতি লক্ষ্য ৰাখি প্রকল্পটো ৰক্ষা কৰাৰ বাবে সামান্যতম চৰকাৰী প্রচেষ্টা চলোৱা নহ'ল সেয়া লজ্জাৰ বিষয়। চকুৰ সন্মুখতে চৰকাৰী আঁচনিখন এনেদৰে বিলীন হোৱাত প্রত্যক্ষদর্শী ৰাইজৰ মাজত তীব্র ক্ষোভ আৰু চৰম অসন্তুষ্টি বিৰাজ কৰে।



প্রথম পৃষ্ঠাৰ পৰা ঃ — মেটেকাৰে সামগ্রী প্রস্তুত

প্রস্তুত কৰি উলিয়াইছে নান্দনিক বেগ, খৰাহি তথা বিভিন্ন ঘৰুৱা ব্যৱহার্য আকর্ষণীয় সামগ্রী। অঞ্চলটোৰ এনাজৰী, সুৰুযমুখী, কল্যাণকামী, ৰাধিকা, একাঁজলি, দিশা, নয়নজ্যোতি, আশাদ্বীপ, আশা, নম্রতা, মিলিজুলি, সৰস্বতী, প্রভাতমুখী কাঠশিল্প, ছায়া আৰু ত্রিনয়নকে ধৰি কেইবাটাও আত্মসহায়ক গোটৰ মহিলাসকলে একগোট হৈ গাঁওখনত গঠন কৰিছে 'সঞ্জীৱনী গ্রাম্য সংগঠন'। এই সংগঠনৰ মহিলাসকলে 'সৃষ্টি এণ্টাৰপ্রাইজ' নামেৰে এটা বাণিজ্যিক গোটৰ জৰিয়তে ৰাজ্যৰ ভিন্ন প্রান্তৰ বজাৰ দখল কৰি আহিছে। মহিলাসকলে মেটেকাৰ সামগ্রী প্রস্তুত কৰাৰ কাৰিকৰী প্রশিক্ষণ লৈ বৰঞ্চ তেওঁলোকৰ উৎপাদিত সামগ্রীসমূহ সঠিক মূল্যত বিক্রী কৰাৰ বাবে এক স্থায়ী বজাৰৰো সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে ৰাজ্য চৰকাৰৰ বিভাগীয় আঁচনিৰ জৰিয়তে। বৰুৱাজানী গাঁৱৰ এই মহিলা দলটোৰে নিজ হাতেৰে তৈয়াৰ কৰা এই পৰিৱেশ-অনুকূল সামগ্রীসমূহে ইতিমধ্যে এক ডাঙৰ সফলতা বুটলিবলৈ সক্ষম হৈছে। এই স্বাৱলম্বী মহিলাসকলে তৈয়াৰ কৰা প্রায় দুই লাখতকৈও অধিক টকা মূল্যৰ সামগ্রী ৰাজ্যৰ বাহিৰলৈ প্রেৰণ কৰে। উল্লেখ্য যে ঘৰৰ কাম-কাজ চম্ভালিও কেনেকৈ থলুৱা কেঁচামালেৰে আত্মনির্ভৰশীল হ'ব পাৰি, বৰুৱাজানী গাঁৱৰ এই মহিলাসকলে সমগ্র কামৰূপ জিলাৰ বাবে এতিয়া এক আদর্শ হৈ পৰিছে। সঞ্জীৱনী গ্রাম্য সংগঠনৰ মহিলাসকলৰ এই সৃষ্টিশীল প্রয়াসক ভূয়সী প্রশংসা কৰিছে অঞ্চলবাসীয়ে।

গোলাঘাটত আন্তঃৰাষ্ট্ৰীয় শীতকালীন বাণিজ্য মেলা উদ্বোধন কৰি মন্ত্ৰী অতুল বৰা

থলুৱা ব্যৱসায়ীক বজাৰ দেখুৱাইছে এটিপিআই



অসম ভূমি সেৱা, গোলাঘাট ঃ গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অসম বাণিজ্য উন্নয়ন সংস্থাৰ উদ্যোগত ১৬ দিনীয়াকৈ অনুষ্ঠিত হৈছে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা। অসম চৰকাৰৰ পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগ আৰু আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই যোৱা সোমবাৰে উদ্বোধন কৰে বাণিজ্য মেলাৰ। উদ্বোধনী অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্ত আৰু সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনো উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ভাগ লৈ ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ বিভিন্ন অঞ্চলত বাণিজ্য মেলা অনুষ্ঠিত কৰি অসম বাণিজ্য উন্নয়ন সংস্থাই ৰাজ্যৰ থলুৱা উদ্যোগীসকলক এখন বজাৰ লাভৰ বাট দেখুৱাই দিছে। বাণিজ্য উন্নয়ন সংস্থাৰ এনে পদক্ষেপে ৰাজ্যৰ অৰ্থনীতিত, উদ্যোগীক বিকাশত বিশেষ প্ৰভাৱ পেলাব। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অসম বাণিজ্য উন্নয়ন সংস্থাৰ অধ্যক্ষ সুনীল ডেকাই। ২০২২ চনৰ পৰা থলুৱা উদ্যোগীক এখন বজাৰ দিয়াৰ লক্ষ্যৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত অসম বাণিজ্য উন্নয়ন সংস্থাই বাণিজ্য মেলা অনুষ্ঠিত কৰি আহিছে। এই বাণিজ্য মেলাৰ জৰিয়তে দেশ- বিদেশৰ উদ্যোগীৰে সমন্বয় গঢ়ি অসমৰ থলুৱা উদ্যোগীসকল আগবাঢ়ি যোৱাৰ বাট মুকলি কৰিৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলি মন্তব্য সুনীল ডেকাৰ। উল্লেখ্য যে, এই বাণিজ্য মেলাত অসমৰ বিভিন্ন জিলাৰ লগতে পঞ্জাৱ, হাৰিয়ানা, জম্মু-কাশ্মীৰ, দিল্লী, ৰাজস্থান, গুজৰাট, উত্তৰ প্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, কলকাতা, কেৰালা, মুম্বাই আদি ৰাজ্যৰ ডেৰ শতাধিক বিপণীৰ লগতে আফগানিস্তান, থাইলেণ্ড ডুবাই আদি বিদেশী ৰাষ্ট্ৰৰ বিপণীয়েও অংশগ্ৰহণ কৰে। প্ৰতিদিনে সন্ধিয়া জনপ্ৰিয় শিল্পীৰ আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰো ব্যৱস্থা কৰা হৈছে। আটাইকেইটা দিনতে গোলাঘাট জিলাবাসীৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।



অসম ৰাজ্যিক সাংবাদিক সন্থাৰ উদ্যোগ

নলবাৰীত বিনামূলীয়া চিকিৎসা শিবিৰ

অসম ভূমি সেৱা, নলবাৰী ঃ অসম ৰাজ্যিক সাংবাদিক সন্থাৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু ডীয়'ৰা মাল্টিস্পেচিয়েলিটি পলিক্লিনিকৰ সহযোগত যোৱা ২ অক্টোবৰত নলবাৰীত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। চিকিৎসা শিবিৰটোত কেইবাগৰাকীও ৰোগীক বিনামূলীয়াকৈ চিকিৎসা কৰাৰ লগতে শিবিৰত থেৰাপী দিয়া হয়। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক নিপজ্যোতি মেধিয়ে উদ্বোধন কৰা চিকিৎসা শিবিৰটোত ডাঃ অনুপম বৈশ্য, ডাঃ চেমিন আখতাৰ, ডাঃ জিজ্ঞাসা তালুকদাৰে চিকিৎসা প্ৰদান কৰে। তদুপৰি কেইবাগৰাকীও ৰোগীক বিনামূলীয়াকৈ ঔষধ দিয়া হয়।



নাহৰকটীয়াত ৰুণুমী মহন্তৰ 'নামঘৰ' উন্মোচন

নাহৰকটকীয়া ঃ নাহৰকটীয়া সাহিত্য সভা ভৱনত লেখিকা ৰুণুমী মহন্তৰ 'নামঘৰ' নামৰ এখন প্ৰৱন্ধ সংকলন যোৱা দেওবাৰে উন্মোচন কৰে নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰে। গ্ৰন্থখন উন্মোচন কৰি অধ্যক্ষগৰাকীয়ে কয় যে নামঘৰ হৈছে আধ্যাত্মিক দৰ্শনৰ লগতে মহাপুৰুষীয়া পৰম্পৰাক সাধাৰণ পাঠকৰ উপযোগীকৈ ৰচনা কৰা অতি মূল্যৱান গ্ৰন্থ। বিশিষ্ট অতিথিৰ ভাষণত ড° অনুপমা মহন্তই কয় যে 'নামঘৰ' গ্ৰন্থখনৰ প্ৰকাশভংগী অতি সুন্দৰ। সমাজ জীৱনৰ লগত সম্পৰ্কযুক্ত বিভিন্ন প্ৰসংগ অৱতাৰণা কৰি সামাজিক দায়বদ্ধতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। সভাত উপস্থিত থকা প্ৰাক্তন নাহৰকটীয়া শতদল সাহিত্য সভাৰ সভানেত্ৰী ৰেজিয়া বেগমে কয় যে মহন্তৰ লিখনি অতি সুন্দৰ। লেখা-মেলা সম্পৰ্কত তেওঁৰ লগত আলোচনা কৰো আৰু পৰামৰ্শ গ্ৰহণ কৰো। ডিব্ৰুগড় জিলাৰ লেখিকা সন্থাৰ উপ-সভানেত্ৰী মেঘালী শইকীয়া কয় যে নামঘৰ নামৰ প্ৰৱন্ধ সংকলনখন সাহিত্য জগতলৈ অতি মূল্যৱান অৱদান। নাহৰকটীয়া শতদল সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ধৰিত্ৰী লাহনে ভাষণ প্ৰসংগত কয় যে ৰুণুমী মহন্তই লিখা প্ৰত্যেকখন কিতাপেই সমাজলৈ এটা বাৰ্তা প্ৰেৰণ কৰিছে। গ্ৰন্থ উন্মোচনী সভাখনত সভাপতিত্ব কৰে শিক্ষক সাহিত্যিক প্ৰশান্ত গগৈয়ে। গ্ৰন্থ উন্মোচনী সভাখনৰ আঁতধৰে নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষক পৰিত্ৰ প্ৰাণ মহন্তই। মহন্তই ৰুণুমী মহন্তৰ সম্পৰ্কত কয় যে 'নামঘৰ' তেওঁৰ দ্বাৰা সৃষ্ট পঞ্চমখন গ্ৰন্থ।

সমাজকৰ্মী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ মৃত্যু



অসম ভূমি সেৱা, টিহু ঃ টিহু নগৰৰ নাতিদূৰৈৰ পশ্চিম কঁঠালমূৰাৰ স্থানীয় সমাজসেৱী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ শৰ্মাৰ যোৱা ৩ অক্টোবৰত দিনৰ ১১.১০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। অঞ্চলটোৰ বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠানৰ সৈতে জড়িত বিশিষ্ট জ্যোতিষী শৰ্মাক যোৱা ২৫ ছেপ্টেম্বৰত শাৰীৰিক অসুস্থতাৰ হেতু চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। শৰ্মাৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে তেওঁৰ পশ্চিম কঁঠালমূৰাৰ বাসগৃহ গুণমুগ্ধৰে ভৰি পৰে আৰু বিয়লি শৰ্মাৰ নশ্বৰদেহ আহি পোৱাৰ পিছতেই এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পিছত পশ্চিম কঁঠালমূৰা গ্ৰামোন্নয়ন সমিতি, পশ্চিম কঁঠালমূৰা যুৱক সংঘ, অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষক সন্থা, টিহুৰ স্নেহবন্ধন সেৱা সদন, দৈৱজ্ঞ ব্ৰাহ্মণ সমাজ, টিহুকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিবিশেষে শৰ্মাৰ নশ্বৰদেহৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত শৰ্মাই পত্নীৰ লগতে দুজন পুত্ৰ আৰু কন্যাসহ আত্মীয়-স্বজনৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

শিক্ষকসকলৰ দক্ষতা বৃদ্ধিৰ বাবে কাম কৰি অহা কাউন্সিল ফৰ টিচাৰ এডুকেশ্যন ফাউণ্ডেশ্যনৰ উদ্যোগ

চিটিইএফ-তেজপুৰ মহাবিদ্যালয়ৰ বুজাবুজিৰ চুক্তি

গুৱাহাটী ঃ শিক্ষকসকলৰ দক্ষতা বৃদ্ধিৰ বাবে কাম কৰি অহা কাউন্সিল ফৰ টিচাৰ এডুকেশ্যন ফাউণ্ডেশ্যন, অসম চমুকৈ চিটিইএফ আৰু তেজপুৰ মহাবিদ্যালয়ৰ মাজত এখন বুজাবুজিৰ চুক্তি অলপতে স্বাক্ষৰিত হয়। তেজপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত চিটিইএফৰ আন্তঃৰাষ্ট্ৰীয় মহাসচিব আৰু অসমৰ অধ্যক্ষা অধ্যাপিকা নিলীমা ভাগৱতী আৰু তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই এই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিত কলেজখনৰ শৈক্ষিক, সাংস্কৃতিক, কৰ্মশালা, আলোচনাচক্ৰ, চিম্পোজিয়াম, গাইডেন্স, কাউন্সেলিং সেৱা, প্ৰকাশন, ব্যক্তিত্ব বিকাশৰ কৰ্মশালা আদি বিভিন্ন দিশ সামৰি লোৱা হ'ব। এই চুক্তি স্বাক্ষৰ অনুষ্ঠানতে মানসিক স্বাস্থ্য, সুস্থতা, ব্যৱস্থাপনা আৰু বহনক্ষমতা বিষয়ক এখন কৰ্মশালাও অনুষ্ঠিত হয়। অধ্যাপিকা নিলীমা ভাগৱতীয়ে পৰিচালনা আৰু বিষয়বস্তু উপস্থাপন কৰা কৰ্মশালাখনত কলেজখনৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰীসকলেও অংশগ্ৰহণ কৰে। তেজপুৰ কলেজৰ অধ্যক্ষ ড° মনোজ হাজৰিকাই কৰ্মশালাখন উদ্বোধন কৰি ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। শেষত কলেজখনৰ আই কিউ এচিৰ সমন্বয়ক ডঃ ৰাজলক্ষ্মী সোণোৱালে সকলোৰে শলাগ লয়।



Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah